
# আসাম দৰ্পণ

( প্ৰবন্ধ সংকলন )



শ্ৰীমহেশ চন্দ্ৰ মেধি

# অসম দৰ্পণ

(প্ৰবন্ধ সংকলন)

মহেশ চন্দ্ৰ মেধি

## Asom darpan

'ASOM DARPAN' -A collection of mythological article written by Shri Mahesh Ch. Medhi, B.A. and Published by Mrs Lili Medhi Vill. & P.O. Bamundi, Kamrup. August 1991, Price Rs. 12/-

---

© মহেশ চন্দ্ৰ মেধি

প্ৰথম প্ৰকাশ : আগষ্ট ১৯৯১ ইং

প্ৰকাশিকা :
শ্ৰীলিলি মেধি
'উদ্দীপ্ত প্ৰকাশন'
সাং / ডাক—বামুন্দী, কামৰূপ

অঙ্গ সজ্জা :
শ্ৰীশঙ্কৰদাস কলিতা

মূল্য ১২.০০ (বাৰ) টকা

মুদ্ৰণ : উদয়ণ মুদ্ৰণালয়, গুৱাহাটী-৯

# সুচী-পত্ৰ :

বিষয়

১। ইতিহাস প্ৰসিদ্ধ বুৰ্কা সত্ৰ: এগচি অক্ষয় বন্তি

২। সৰভোগৰ গৰখীয়া থান

৩। জয়সাগৰৰ ৰঙ্গনাথ শিৱ মন্দিৰ

৪। উত্তৰ গুৱাহাটীৰ মণিকৰ্ণেশ্বৰ মন্দিৰ

৫। ঐতিহ্যপূৰ্ণ মহাভৈৰৱ মন্দিৰ

৬। উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰ

৭। ধাৰেশ্বৰ মন্দিৰৰ আকাশীগঙ্গা

৮। মহিমা মণ্ডিত উমানন্দ

৯। শ্যামৰায় সত্ৰ - এটি পৰিচয়

১০। বামুন্দীৰ গলেশ্বৰী মন্দিৰ

১১। বামুন্দীৰ মহামায়া শ্ৰীশ্ৰীকালি মন্দিৰ

১২। ঐতিহ্য মন্দিত সিদ্ধেশ্বৰ দেৱালয়

১৩। ইতিহাস প্ৰসিদ্ধ চম্পক নগৰ

১৪। ঐতিহ্য মণ্ডিত শ্ৰীশ্ৰী দীপ্তেশ্বৰী মন্দিৰ

১৫। জনবিশ্বাসত লাহেশ্বৰী থান

# আগ কথা

বিভিন্ন সময়ত ভিন ভিন বাতৰি কাকতৰ জৰিয়তে অসমৰ অতীত সম্পদৰাজিক অসমৰ বাইজৰ আগত ইয়াৰ অতীত গৌৰৱৰ মূল্যায়ণৰ কথাখিনি ডাঙি ধৰাৰ মানসে কিছু প্ৰৱন্ধ পাতি গোটাইছিলো। বিশেষকৈ অসমৰ মঠ মন্দিৰ সম্পৰ্কে লিখি তাক যাতে পৰ্যটক সকলৰ বাবে দেখনীয়াৰ কৰি গঢ়ি তোলা হয় আৰু আমাৰ অসমৰ অতীত গৌৰৱৰ কাহিনীবোৰ আন প্ৰদেশ তথা বিদেশী পৰ্যাটক সকলেও জানিব পাৰে সেই উদ্দেশ্য সাৰোগত কৰিহে বাতৰি কাকতলৈ পঠোৱা হৈছিল। বিভিন্ন আলোক চিত্ৰৰ সৈতে বাস্তৱ ৰূপত বাতৰি কাকতৰ সম্পাদক সকলে সেইবোৰ গ্ৰহণ কৰি ছপাইছিল। অৱশ্যে মোৰ এই প্ৰৱন্ধবোৰ বিহঙ্গম দৃষ্টিৰে লিপিৱদ্ধ কৰা হৈছিল। পণ্ডিত গৱেষক সকলৰ দৃষ্টিত ই উচ্চ স্তৰৰ লিখনি নহব বুলি জানিও ইয়াক কিতাপ আকাৰত সংকলন কৰি থলোঁ জানোছা কোনোৱা পাঠকৰ কামত আহেই।

অৱশ্যে ইয়াক কিতাপ আকাৰত থুপ খুৱাই ৰখাৰ প্ৰেৰণা দিওঁতা মোৰ ভাতৃ প্ৰতীম শ্ৰীশংকৰদাস কলিতাৰ নাম উল্লেখ নকৰিলে মোক দোষে চুৱ। তেওঁ আৰু মোৰ চাৰ শ্ৰীযুত যোগেশ্বৰ দাস দেৱৰ প্ৰেৰণাতে ইয়াক কিতাপ আকাৰত থোৱা হ'ল ।

আনহাতে, প্ৰৱন্ধ কেইটা “অগ্ৰদূত” ‘আজিৰ অসম' 'সাপ্তাহিক প্ৰহৰী' আৰু 'অসম বাণী' কাকতত প্ৰকাশ কৰা বাবে শ্ৰীযুত কনক সেন ডেকা, শ্ৰীযুত ৰাধিকা মোহন ভাগৱতী শ্ৰীযুত কমল গগৈ আৰু শ্ৰীযুত ফণী তালুকদাৰ দেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছপা কামত বিভিন্ন পৰামৰ্শ দি প্ৰুফ আদি চাই দিয়াত সৰ্বশ্ৰী শ্ৰীকৃষ্ণ কাশ্যপ বৰ্মন, দীনেশ ভাগৱতী, ধীৰেণ পাঠক, ৰঘুনাথ নায়ক, হীৰেণ বড়া, শিশিৰ ৰায় প্ৰমুখ্যে আটাইবোৰ উদয়ণ মুদ্ৰণালয়ৰ কৰ্মী সকলক মোৰ হিয়া ভৰা কৃতজ্ঞতা জনালোঁ ।

কিতাপ খনৰ সকলো দোষ ত্ৰুটি আঙুলিয়াই দিব বুলি মোৰ শ্ৰদ্ধাৰ প্ৰিয় পাঠক বৃন্দৰ ওচৰত ভৰষা বাখিলোঁ।।

**শ্ৰীমহেশ চন্দ্ৰ মেধি**
বামুদী, কামৰূপ

# ইতিহাস প্ৰসিদ্ধ বুৰ্কা সত্ৰ : এগছি অক্ষয় বন্তি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভগৱানক নাম ঘৰৰ মজিয়াৰ পৰা উলিয়াই আনি মানুহৰ প্ৰাণত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল একমাত্ৰ নামধৰ্মৰ জৰিয়তে। শংকৰদেৱে প্ৰথমতে বৰদোৱাত সত্ৰ পাতি বৈষ্ণৱ ধৰ্মৰ পাতনি মেলে আৰু পিছত অসমৰ বিভিন্ন ঠাইত নিজে সত্ৰ পাতি দিক্‌ভ্ৰান্ত অসমীয়া সকলক নতুন পথৰ সন্ধান দিছিল।

শংকৰদেৱ জীয়াই থকা সময়ছোৱাত শংকৰী পন্থাৱলম্বী সকলৰ মাজত ভেদাভেদ নাছিল। কিন্তু তেৰাৰ মহাপ্ৰয়াণৰ পিছত দামোদৰদেৱ আৰু হৰিদেৱ হিচাপে দুটা সম্প্ৰদায়ত বিভক্ত হৈ নিজাকৈ ধৰ্ম প্ৰচাৰত লাগে। কিন্তু মাধৱদেৱে মূল সম্প্ৰদায়টোৰ দায়িত্বভাৰ পাই আৰু নিজে সত্ৰ পাতি মহাপুৰুষ জনাৰ ধৰ্মবাণী প্ৰচাৰ কৰাত আত্মনিয়োগ কৰে। অসমৰ চাৰিওপিনে ধৰ্মপ্ৰচাৰৰ বাবে বাৰ জন ধৰ্মাচাৰ্য্য পাতি মাধৱদেৱে নিজ গুৰুৰ প্ৰতি শ্ৰদ্ধা জনাই নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰত ব্ৰতী হৈছিল। সেই বাৰজন আছিল মথুৰাদাস বুঢ়া আতা, গোলাপ আতা, বদুলা পদ্ম আতা, বংশী গোপালদেৱ, যদুমণিদেৱ, ৰাম চৰণ ঠাকুৰ, শ্ৰীহৰিদেৱ, লেচাকণিয়া গোবিন্দ, বৰবিষ্ণু আতা, লক্ষ্মীকান্ত,ভাতৌ কুছীয়া কেশৱ চৰণ আৰু পঢ়িয়া আতৈ।

ধৰ্মাচাৰ্য্য সকলৰ জৰিয়তে মহাপুৰুষ শংকদেৱৰ অমৃতবাণী অসমৰ চৌদিশে প্ৰচাৰ হব ধৰিলে। সেই অমৃত বাণীৰ কিছু বলুকাতো পৰিছিল আৰু বলুকাবাসী ধন্য হৈছিল । বলুকা সত্ৰৰ বিষয়ে আজি ইয়াত কবলৈ কিছু প্ৰয়াস কৰা হ'ব।

অসমত যিমান সত্ৰ আছে তাৰ ভিতৰত বুৰ্কা সত্ৰ খনো অন্যতম। এই বুৰ্কা সত্ৰখন প্ৰতিষ্ঠাৰ এটা আমোদজনক কাহিনী জানিব পৰা যায়। কাহিনীটো এনেধৰণৰ—

মাধৱদেৱ যেতিয়া উজনিৰ পৰা লখাইতৰা নদীৰে শিষ্য প্ৰশিষ্য বৰ্গৰ সৈতে নাৱেঁৰে ভটিয়াই আহিছিল, তেতিয়া কামৰূপ জিলাৰ "বলুকা' নামে ঠাই খনত কিছুসময় জিৰণি লৈছিল। সেই সময়ছোৱাত বলুকা নামৰ এই ঠাই খন গছ-গছনি আৰু লখাইতঁৰা নদীৰ বালি চাপৰিৰ কহুৱা বনেৰে অতি শোভিত হৈ আছিল। মাধৱদেৱৰ নাওঁ যেতিয়া বলুকা ঘাটত লাগিল তেতিয়া সূৰ্য্য পাটত পৰো পৰো অৱস্থা। পশ্চিম আকাশত অস্তগামী সুৰুযৰ হেঙুলি আভাষ চতিয়াই দি সূৰ্য্য দেৱতাই যেন মিচিকিয়াই হাঁহিছিল, গছ-গছনিৰ ডালত পৰি চৰাই চিৰিকতিয়ে উৰুলী ধ্বনি কৰি বিবিধ সুৰীয়া সংগীৰ মধুৰ মূৰ্ছনা তুলিছিল। গছ-লতিকাই আনন্দতে হালি জালি যেন অভিবাদন জনাইছিল দেৱদূত মাধৱদেৱক। এনেহেন অপৰূপ সৌন্দৰ্য্যৰে ভৰপুৰ বলুকা ঘাটত বহি মাধৱদেৱে বাপ বান্ধৱ সকলক হেনো সম্বন্ধী কৈছিল ভৱিষ্যতে ইয়াত এখনি সত্ৰ হ'ব বুলি। বলুকাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পৰিৱেশ দেখি মাধৱদেৱে ই এখন পবিত্ৰ ভূমি বুলি উল্লেখ কৰি গৈছে। এই জন প্ৰবাদ এই অঞ্চলৰ সকলো লোকৰ মুখতে শুনিবলৈ পোৱা যায়। সঁচাকৈয়ে পিছত ইয়াত 'বলুকা' সত্ৰ স্থাপন হয়।

'বুৰ্কা' শব্দটো 'বলুকা' শব্দৰ পৰা অপভ্ৰংশ হৈ অহা বুলি এই সত্ৰৰ আতৈ শ্ৰীউমাকান্ত মহন্তই এই

সংবাদদাতাক কয় আৰু তেওঁ কয় যে বালি আৰু বোকা যুক্ত ঠাই আছিল বাবেই হেনো বলুকা হৈছিল আৰু শেষত মানুহৰ মুখ বাগৰি বাগৰি গৈ বলুকা গুছি বুৰ্কা হয়।

১৫ শ শতিকাত মাত্ৰ ১৮ বছৰ বয়সতে লক্ষীকান্ত আতৈয়ে মাধৱ দেৱৰ ওচৰত শৰণ লৈছিল। আগতেই কৈ অহা হৈছে যে মাধৱদেৱে ধৰ্ম প্ৰচাৰৰ বাবে বাৰ জন ধৰ্মাচাৰ্য্য পাতিছিল আৰু সেই বাৰ জন ধৰ্মাচাৰ্যাৰ অন্যতম আছিল লক্ষ্মীকান্ত আতৈ। লক্ষ্মীকান্ত হাজোৰ ওচৰৰ ধূপগুৰিত সত্ৰ পাতি গোটেই অঞ্চলটোতে বৈষ্ণৱ ধৰ্মৰ বাণী প্ৰচাৰ কৰাৰ মনোনিৱেশ কৰিছিল। লক্ষ্মীকান্ত আতৈৰ নাতি বিষ্ণু নাৰায়ণ দেৱক বুৰ্কাৰ ধৰ্মপ্ৰাণ ৰাইজে আমন্ত্ৰণ কৰি আনি বুৰ্কা সত্ৰৰ সত্ৰাধিকাৰ পাতে। সেইদিন ধৰিয়ে বুৰ্কা সত্ৰত আজিও নাম প্ৰসঙ্গ আৰু ভাগৱতৰ তত্ত্ব চৰ্চা চলি আহিছে। এই বুৰ্কা সত্ৰ সম্পৰ্কে ড০ মহেশ্বৰ নেওগ সম্পাদিত 'পবিত্ৰ অসম'ৰ ২৮৫ পৃষ্ঠাত 'বুৰ্কাসত্ৰ' ডিমু- চেঁচামুখৰ ওচৰত শংকৰদেৱৰ বংশৰ ৰতিকান্ত দলৈৰ পৰা হোৱা সত্ৰ। 'বুৰকীয়া সত্ৰ' ধোপগুৰিৰ লক্ষ্মীকান্ত আতৈৰ তৃতীয় পুত্ৰ নৰোত্তম, তেওঁৰ পুত্ৰ ভৱকণ্ঠৰ পুত্ৰ বিষ্ণু নাৰায়ণ আৰু মুকুন্দ নাৰায়ণে বুৰ্কাত সত্ৰ পাতে, বুলিহে উল্লেখ আছে যদিও ইয়াৰ বিষয়ে বিশদ বিৱৰণ নাই।

কালক্ৰমত বুৰ্কা দুভাগ হ'ল আৰু ইয়াৰ কিছুমান লোক উঠি গৈ ন-বুৰ্কা গাওঁ নিৰ্মাণ কৰিলে। কিন্তু পুৰণি বুৰ্কা গাঁৱত ইতিহাস প্ৰসিদ্ধ সত্ৰ খন ৰৈ যায়। বৰ্তমান বুৰ্কা সত্ৰ খন 'পুৰণি বুৰ্কা সত্ৰ' বুলি জনাজাত হৈ পৰিছে।

পুৰণি বুৰ্কা সত্ৰৰ বৰ্তমান মাটি কালিৰ পৰিমাণ ৫৫ বিঘা। তাৰে ৬ বিঘা মাটিত সত্ৰ খন বিদ্যমান। শ্ৰীউমাকান্ত মহন্ত, শ্ৰীহৰিচন্দ্ৰ মহন্ত আৰু শ্ৰীভবেন মহন্তই পাল পাতি নিতৌ তিনি সন্ধ্যা এই সত্ৰত নাম প্ৰসঙ্গ কৰি সত্ৰ খনি জীৱন্ত কৰি ৰাখি আছে। গঞাঁ ৰাইজৰ অনুদান, সত্ৰৰ মাটিৰ ধান আৰু পুখুৰীৰ মাছ বিক্ৰী কৰি পোৱা ধনখিনিয়েই সত্ৰ পৰিচালনাৰ একমাত্ৰ মূলধন। সেই ধনৰ দ্বাৰাই সত্ৰখনি পৰিচালনা কৰি কীৰ্ত্তন ঘৰটিত চাকি বন্তি দি থকা হৈছে।

কিন্তু এই সত্ৰখনিত মহাপুৰুষ শংকৰদেৱে নিজ হাতে লেখা সাঁচি পতীয়া পুথি 'চিত্ৰ ভাগৱত' ৰত্নাৱলী, দশমস্কন্ধ ভাগৱত আৰু কীৰ্ত্তন ঘোষা পুথি কেইখন এই সত্ৰৰ এক আপুৰুগীয়া সম্পদ। এই সম্পদ খিনিয়ে সত্ৰ খনিক যথেষ্ট পৰিমাণে সমৃদ্ধ কৰি ৰাখিছে যদিও ইয়াক উপযুক্ত ভাৱে সংৰক্ষণৰ সু-ব্যৱস্থা নহ'লে যে নষ্ট হৈ যাব ই ধুৰূপ।

**[ বিঃ দ্ৰঃ – ১১ মাৰ্চ '৮৮ত 'আজিৰ অসম' বাতৰিত প্ৰকাশিত ম. ম.']**

**(নাম-প্ৰসঙ্গ কৰা লোক বছৰে বছৰে সলনি হয়, ওপৰত উল্লেখ কৰা হৰিচন্দ্ৰ মহন্তৰ মৃত্যু হৈছে।)**

# সৰভোগৰ গৰখীয়াৰখান

বৰনগৰ এখন বৈপ্লৱিক আৰু ইতিহাস প্ৰসিদ্ধ ঠাই। বৰনগৰ বুলি উচ্চাৰণ কৰোতেই ইয়াৰ ঐতিহ্য মণ্ডিত জীয়া ইতিহাস এখনৰ কথা মনলৈ আহে। আজিৰ পৰা প্ৰায় পাঁচ শ বছৰ পূৰ্বে ইয়াত জন বসতি একেবাৰে সেৰেঙা আছিল প্ৰবাদ আছে যে মহাৰাজ নৰ-নাৰায়ণৰ ৰাজত্বকালৰ পৰাহে জন বসতি আৰম্ভ হয়। প্ৰবাদ আছে যে মহাৰাজ নৰনাৰায়ণৰ শনিৰ দশা চলি থাকোতে তেওঁ বৰনগৰত প্ৰায় বাৰ বছৰ কাল অতিবাহিত কৰিছিল । জনশ্ৰুতি মতে সেই কালত মাত্ৰ বাৰটা পৰিয়ালেহে ইয়াত হাবি জাৰণি কাটি বসবাস কৰিবলৈ সক্ষম হৈছিল। অটব্য হাবি জাৰণি থকা বাবে কোনো লোকে ইয়াত বসবাস কৰিব বিচৰা নাছিল। সেই বাৰটা পৰিয়ালে হাবি জাৰণি কাটি বসবাস কৰিবলৈ লোৱাত তেওঁলোকক “জাৰকাটা” নাম দিয়া হৈছিল। আজিও তেওঁলোকৰ বংশৰ লোক আছে। মহাৰাজ নৰনাৰায়ণৰ লগত বীৰ যোদ্ধা সকলে ইয়াত বসবাস কৰিব লোৱাত এই অঞ্চলক প্ৰকৃততে ‘বীৰ নগৰ' বুলি হে কোৱা হৈছিল আৰু পিছত 'বীৰ নগৰ’ গুচি বৰনগৰ হয়। বৰ্তমান বৰনগৰ সৰভোগ বুলিহে পৰিচিত।

অকল ‘বীৰ নগৰ'ৰ ইতিহাসেই বৰনগৰক সমৃদ্ধ কৰা নাই । ইয়াৰ বুকুত থকা মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁই থানেও ইয়াৰ অতীত বুৰঞ্জীৰ পাত খিলালৈ বিশেষ অৰিহণা যোগাই আহিছে । এই প্ৰাচীন আৰু প্ৰধান ধৰ্মানুষ্ঠান খনে বৰনগৰৰ ঐক্য শান্তি সম্প্ৰীতি তাহানীৰে পৰা বজাই ৰাখি আহিছে। ভগৱদ ভক্তিত সকলোকে সাঙুৰি ৰাখি মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁই থানে অতীতৰ কীৰ্ত্তি বিলাক সোঁৱৰাই সমন্বয়ৰ মাজেৰে সকলোকে চলি যাবলৈ পথ দেখুৱাই আছে।

এই গৰখীয়া গোসাঁই থান খনৰ উৎপত্তি সম্বন্ধে নানান জনশ্ৰুতি শুনা যায়। কথাতে কোৱা যায় যে “বিশ্বাসে মিলায় হৰি তৰ্কে বহু দূৰ।”

গতিকে বিশ্বাস কৰিলে ভগৱানে ভক্তক দেখা দিয়ে। জন বিশ্বাসক সাৰতি ধৰোতেই মহাপ্ৰভুয়ে ভক্ত সকলক বৰনগৰত গৰখীয়াৰ ৰূপত আৱিৰ্ভাৱ হৈ দেখা দিলে। কিংবদন্তি মতে গৰখীয়া গোসাঁই থানৰ উৎপত্তি এনে ধৰণৰ যে কুণ্ডিল নগৰীৰ পৰা মহাপৰাক্ৰমী বীৰ যোদ্ধা সকলক পৰাভূত কৰি শ্ৰীকৃষ্ণই ৰুক্মিণীক দ্বাৰকালৈ বুলি ৰথত তুলি লৈ গৈ থাকোতে ৰুক্মিণী আইদেউৱে হেনো এই ঠাই খনৰ অনুপম শ্যামলী সৌন্দৰ্য্য আৰু চৰাই চিৰিকতিৰ অমিয়া মাতত মুগ্ধহৈ প্ৰভুক কিছু সময় জিৰণি লবলৈ কাকুতি মিনতি কৰিছিল। ৰুক্মিণী দেৱীৰ আকূল প্ৰাৰ্থনাক নেওচি যাবলৈ শ্ৰীকৃষ্ণৰ প্ৰাণে নকলে আৰু দুয়ো এই ঠাই খনৰ ওপৰত কিছু সময় জিৰণি লয়। সেই দিনা খনৰে পৰা প্ৰভুৰ তাত আৱিৰ্ভাৱ হয়।

তাৰপিছত যেতিয়া মহাৰাজ নৰনাৰায়ণ বাৰ বছৰ কাল অতিবাহিত কৰি বৰনগৰ এৰি যায় তেতিয়া তেওঁৰ ভতিজাক ৰঘুদেৱৰায়ে বৰনগৰৰ শাসন ভাৰ হাতত লয়। সেই কালত এই অঞ্চল একেবাৰে অটব্য হাবি আছিল। গৰখীয়া সকলে গৰু ম'হ চাৰি ফুৰিছিল। এদিনাখন বৰকোঁচ পৰিয়ালৰ কপিলী গাই এজনী জাকৰ পৰা আঁতৰি যোৱা গৰখীয়া এজনৰ চকুত পৰিল। গাইজনীয়ে নিতৌ দুপৰীয়া এটা নিৰ্দ্দিষ্ট সময়ত গৰুজাকৰ পৰা আঁতৰি যায় আৰু কিছু সময় পিছত উভতি আহে। গাইজনীৰ কাৰ্য দেখি গৰখীয়া কেইজনৰ কৌতুহল জন্মিল আৰু মনক প্ৰবোধ দিবৰ বাবে এদিনাখন তেওঁলোকে গাইজনীৰ পিছে পিছে বাট ললে আৰু কাৰ্যটো আৱিষ্কাৰ কৰিলে। গৰখীয়া কেইজনৰ মন গ'ল সেই ঠাই খনি খান্দি চাবলৈ কথামতে কাম হ’ল আৰু মাটি খান্দি প্ৰভুৰ স্বয়ংকৃত মূৰ্ত্তি আৱিষ্কাৰৰ বিজয় উল্লাসত উল্লাসিত হৈ পৰিল। গৰখীয়া কেইজন আৰু সেই ঠাই খনতে তেৰাৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰিলে

তেওঁলোকে। কথা কাণ বাগৰি বাগৰি বহু দূৰ পালে গৈ আৰু গৰখীয়া বিলাকে আপোন মনে ভক্তি ভাৱে প্ৰভুৰ শ্ৰীচৰণত ঠগি দি মনৰ বাঞ্ছা পূৰণাৰ্থে প্ৰাৰ্থনা কৰে। এইদৰেই প্ৰতিষ্ঠা হৈ উঠিল মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোসাঁই থান।

এই থানখনৰ পুৰণি ইতিহাস বিচাৰিলে ইয়াৰ বয়স কমেও বাৰশ বছৰতকৈও অধিক হ'ব। অৱশ্যে পুৰণি কীৰ্ত্তি কলাপ সম্বলিত সেই থানৰ ৰূপ আজি দেখিবলৈ পোৱা নাযায়। ১৮২৫ চনত মানৰ হাতত এই থানৰ ৰূপ কালৰ বুকুত লীন যায়। পুজাৰীয়ে কোনোমতে প্ৰভুৰ বিগ্ৰহটো লৈ সাৰে আৰু পিছত মান উভতি যোৱাত সেই ঠাইতে পুনৰ প্ৰতিষ্ঠা কৰে। বৰ্ত্তমান থকা মন্দিৰটো আজিৰ পৰা এশ বছৰৰ পূৰ্বে নতুনকৈ নিৰ্মাণ কৰা হৈছিল ৰাইজৰ অনুদানেৰে।

সম্প্ৰতি এই থান খনত জাগ্ৰত হিচাপে ত্ৰিসন্ধ্যা নামকীৰ্ত্তন চলে। তাৰোপৰি একাদশী, পূৰ্ণিমা, আউসী আৰু প্ৰতি সংক্ৰান্তিৰ দিনা ভাগৱত পাঠ আৰু নাম কীৰ্ত্তন চলে। প্ৰতি তিনি বছৰৰ মূৰে মূৰে ভাগৱতী আৰু পাঠক নিৰ্বাচন কৰা হয়। বছৰত প্ৰধান ছয়টা উৎসৱ ইয়াত উদযাপন কৰা হয়। বহাগ বিহুত, ১৬ জেঠৰ পৰা ২২ জেঠলৈ জাগৰণ উৎসৱ, জন্মাষ্টমী, ৰাস উৎসৱ, মাঘ বিহু আৰু শেষ উৎসৱ হ'ল দৌল যাত্ৰা।

মাঘ মাহটোক সকলোৱে ধৰ্মমাহ আৰু ভোগ মাহ বুলি স্বীকাৰ কৰে। এই মাঘ মাহত তিনি দিনীয়াকৈ উৎসৱ পাতি প্ৰভুৰ থানত ভোগ লগাই দূৰণিবতীয়া ভক্ত সকলক সিদ্ধাৰ ভোগ দিয়া হয়। ধৰ্মালোচনী সভাৰ লগতে অখণ্ড নাম কীৰ্ত্তনো চলে। প্ৰতি ঘৰে ঘৰে চাউল তুলি প্ৰভুৰ থানত ভোগ লগোৱা চিৰাচৰিত এটা প্ৰথা। এই মাঘ মাহৰ উৎসৱটোত শ্ৰীশ্ৰীগৰখীয়া গোসাই থানৰ আকাশ বতাহ কেৱল হৰি ধ্বনিবেই মুখৰিত হৈ থাকে।

মহাপ্ৰভূ গৰখীয়া থানৰ মহিমা অপাৰ। ভক্ত সকলৰ ভক্তিত প্ৰভু সন্তোষিত হৈ নানান অলৌকিক কাৰ্য্য দেখুৱা আমাৰ দৃষ্টি গোচৰ হৈছে। সদ্‌ভাৱ আৰু আত্ম বিলীনহৈ প্ৰভুক প্ৰাৰ্থনা কৰি সুফল পোৱা উদাহৰণ এটা দাঙি ধৰা হ'ল । এদিনাখন এগৰাকী মাতৃয়ে ভুল ক্ৰমে ঔষধ বুলি বিষ খুৱাই নিজ পুত্ৰক মৃত্যু মুখত পেলাই দিছিল। তেওঁৰ স্বামী আছিল এজন শৈল্য চিকিৎসক। স্বামী আহি দেখে যে কথা বিষম৷ নিজৰ সমস্ত চিকিৎসা বিদ্যা প্ৰয়োগ কৰিও নিজ পুত্ৰৰ জীৱন উভতাই আনিব নোৱাৰিলে। শোক বিহবলা মাতৃয়ে নিজৰ আদৰৰ ত্ৰিশ-তোলা সোণৰ অলংকাৰ আনি প্ৰভুৰ শ্ৰী চৰণত অৰ্পণ কৰি আত্ম সমৰ্পণ কৰিলে পুত্ৰৰ জীয়ন ভিক্ষাত। ভক্তৰ কাতৰ প্ৰাৰ্থনাত প্ৰভুৱে চকু মেলি চালে আৰু তেওঁৰ পুত্ৰই নতুন জীৱন পালে। এই ঘটনা বেছি দিনৰ নহয় ১৩৪৯ চনত ঘটা এই কাহিনীয়ে ভক্ত সকলক বুজাই দিলে প্ৰভু থানত জাগ্ৰত বুলি। সেই ত্ৰিশ তোলা সোণৰ অলংকাৰ বিক্ৰী কৰি পোৱা ধনেৰে বৰ্ত্তমান দৌল উৎসৱৰ মঠটো সাজি উলিওৱা হয়।

প্ৰভুৰ এনে মহিমাৰ কথা কৈ শেষ কৰিব নোৱাৰি। সমগ্ৰ অসমৰ চুকে কোণে ইয়াৰ মাহাত্ম্য প্ৰচাৰ হৈছে আৰু এই খান দৰ্শ নৰ বাবে নিতৌ যথেষ্ট দৰ্শনাৰ্থী ভক্ত অহা দেখা যায় । মাঘ বিহুৰ তিনি দিনীয়া এই উৎসৱ চাবলৈ যথেষ্ট ভিৰ হয়। চৰকাৰী অনুদান নোলোৱাকৈ ৰাইজৰ ধনেৰে গঢ়ি উঠা শ্ৰীশ্ৰী গৰখীয়া গোসাই থান খন বৰ্তমান চালে চকুৰোৱা হৈ উঠিছে ।

**[ বিঃ দ্ৰঃ - ১২ ফেব্ৰুৱাৰী '৮৮ ত 'আজিৰ অসম' বাতৰি কাকত প্ৰকাশিত হয়, ম. ম.। ]**

# জয়সাগৰ ৰঙ্গনাথ শিৱমন্দিৰ

প্ৰাগৈতিহাসিক কালৰ পৰাই অসমত শৈৱ ধৰ্মৰ প্ৰচলন থকা সম্পৰ্কে বিভিন্ন ধৰ্ম শাস্ত্ৰত উল্লেখ পোৱা যায়। যোগিনীতন্ত্ৰ পুথিৰ মতে কামৰূপত কোটি শিৱলিঙ্গ আছিল। নৰকাসুৰ ৰজাৰ সময়ত শিৱই নিজ বাসস্থান কামৰূপত গোপনে বাস কৰি আছিল বুলি কালিকা পুৰাণত কোৱা হৈছে । পুৰাণ আৰু ইতিহাসৰ পৰা জনা যায় যে জনক, ভগদত্ত, ব্ৰহ্মপাল আদি ৰজা সকলে শিৱ পূজা কৰিছিল আৰু তেওঁলোকে একান্ত শিৱ ভক্ত আছিল।

পৰৱৰ্ত্তী কালতো কামৰূপ বা অসমত শিৱ পূজাই প্ৰসাৰ লাভ কৰি আছিল । আহোম ৰজাৰ লগত হোৱা যুদ্ধৰ আগমুহূৰ্ত্তত কোঁচ ৰজা নৰনাৰায়ণে শিৱৰ চৰণত এপাহ বেলপাত দি ভালদৰে পূজা কৰি লৈছিল বুলিও জনা যায়।

সপ্তদশ আৰু অষ্টাদশ শতিকাত আহোম ৰজা সকলৰ দিনত অধিক সংখ্যক শিৱ মন্দিৰ অসমত প্ৰতিষ্ঠা কৰা হৈছিল আৰু ধৰ্মৰ প্ৰচলন হোৱা দেখা গৈছিল। আহোম ৰজাৰ ৰাজধানী ৰংপুৰৰ আশে পাশে ভালেমান শিৱ মন্দিৰ পোৱা যায়৷ আজিও সেইবোৰ পুৰণি আৰু ইতিহাস প্ৰসিদ্ধ শিৱ মন্দিৰে অসমবাসীৰ অতীতৰ ধৰ্মীয় আৰু সামাজিক অৱস্থাৰ স্বৰূপ প্ৰদৰ্শন কৰি আছে। সেই ৰজাদিনীয়া খ্যাতিৰে সমুজ্জ্বল হৈ থকা ঐতিহ্যপূৰ্ণ শ্ৰীশ্ৰীৰঙ্গনাথ শিৱ মন্দিৰ জয়সাগৰত আজিও উচ্চ শিৰেৰে থিয় হৈ আছে। এই শ্ৰীশ্ৰীৰঙ্গনাথ মন্দিৰ প্ৰতিষ্ঠাৰ সম্পৰ্কে এক মনোৰম কাহিনী শুনিবলৈ পোৱা যায়। কাহিনীটো থোৰতে এনেকুৱা -

এদিনাখন মহাৰাজ ৰুদ্ৰসিংহই মাজনিশা সপোনত বাবা ৰঙ্গনাথক দেখা পালে। মহাৰাজ ৰুদ্ৰসিংহৰ সন্মুখত আৱিৰ্ভূত হৈ ভোলানাথে কবলৈ ধৰিলে মই ৰঙ্গনাথ। আমি চাৰি নাথ আছোঁ। পুৰীত জগন্নাথ, কাশীত বিশ্বনাথ আৰু ময়ে ৰংপুৰত ৰঙ্গনাথ। মোৰ আৰু এজন ভাই আছে তেওঁ মুক্তিনাথ। তেওঁ যেতিয়া তোমাৰ ৰাজ্যত স্বয়ম্ভূ হৈ মুক্তিনাথ হিচাপে আৱিৰ্ভাৱ হ'ব তেতিয়াই তোমাৰ ইচ্ছা পূৰ্ণ হ'ব। কথা কেইষাৰ কৈ বাবা ৰঙ্গনাথ অন্তৰ্ধান হ'ল। স্বৰ্গদেৱে চকমকাকৈ সাৰ পাই দেখে যে প্ৰভু ৰঙ্গনাথ তেওঁৰ সন্মুখত আৰু নাই। কিন্তু তেওঁৰ বাণী মহাৰাজ ৰুদ্ৰসিংহৰ হৃদয় মন্দিৰত বাৰে বাৰে প্ৰতিধ্বনিত হ'ব ধৰিলে। পিছদিনাই মনস্থ কৰিলে বাবা বঙ্গনাথৰ মন্দিৰ প্ৰতিষ্ঠাৰ।

জনশ্ৰুতিৰ পৰা জানিব পৰা যায় যে তেজপুৰৰ বিশ্বনাথৰ পৰা শিৱলিঙ্গ এটা ব্ৰহ্মপুত্ৰইদি নাৱেঁৰে আনি দিখৌ নদীয়েদি আহোম ৰজাৰ ৰাজধানী ৰংপুৰৰ কাষৰ জয়সাগৰত ৰখা হয় । ৰজাৰ শুভদিন চাইচিতি শিৱলিঙ্গ প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰি থাকোঁতে প্ৰভু শ্ৰীশ্ৰীৰঙ্গনাথ তাতেই বহি পৰিল আৰু তাৰ পৰা বহু চেষ্টা কৰিও তুলিব নোৱাৰিলে । শেষত চেষ্টা ব্যৰ্থ হোৱাত মহাৰাজ ৰুদ্ৰসিংহই তাতে একে নিশাই এই মন্দিৰটে। সাজি উলিয়াই। একে নিশাৰ ভিতৰতে সাজি উলিওৱা বাবে এই শ্ৰীশ্ৰীৰঙ্গনাথ মন্দিৰটোত কোনো ভাস্কৰ্য পোৱা নাযায়।

শ্ৰীশ্ৰীৰঙ্গনাথৰ শিৱ মন্দিৰ সম্পৰ্কে চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীত বিতং ভাৱে পোৱা যায়। ইয়াৰ উপৰিও তুংখুঙীয়া বুৰঞ্জী, সৰ্বানন্দ ৰাজ কুমাৰ পদ্মসিংহ নাওঁবৈচা ফুকন আদিৰ বুৰঞ্জী আৰু এলান চাহাবৰ শিৱসাগৰৰ গেজেটিয়াৰত মহাৰাজ ৰূদ্ৰসিংহৰ দিনত নিৰ্মাণ কৰা এই বুৰঞ্জী প্ৰসিদ্ধ মন্দিৰটো সম্পৰ্কে বিশদ বিৱৰণ আছে৷ বুৰঞ্জীবিদ ডঃ সূৰ্য্য কুমাৰ ভূঞাঁদেৱে আহোম ৰজা সকলৰ ৰাজধানী ৰংপুৰ নগৰত নিৰ্মাণ কৰা বঙ্গনাথ মন্দিৰ সম্পৰ্কে এইদৰে লিখিছে -

A place called Talatalghar with a few stones underground was constructed at Tengabari

as well as a temple for placing the sacred image of Ranganath.

**১৭০৩** চনত মহাৰাজ ৰুদ্ৰসিংহই সজা এই মন্দিৰটোৰ জোখ এনে ধৰণৰ দৌলটোৰ বেৰ ৬৩ হাত; ওখই পিৰাৰ পৰা আওঁলা ইটাৰ চলালৈ ৮ হাত ১০ আঙুলি; তাৰে পৰা ঘট লৈকে ১১ হাত ৩ আঙুলি । জঠ ৩ হাত । ঘৰটোৰ শূণ্যথান দীঘলে ১০ হাত পথালিয়ে ৮ হাত।

এই শিৱ মন্দিৰৰ আন এটা বিশেষত্ব হ'ল—ইয়াৰ শিৱ লিঙ্গটো বৃহৎ আকাৰৰ ফেঁ'টি সাপৰ নিচিনা শিল এচটাই আগুৰি ৰখাটো। ফেনা মেলি থকা শিলৰ গৰ্ভত লিঙ্গটো পোৱা যায়।

এই মন্দিৰৰ কাষতে থকা পুখুৰীলৈ বিগ্ৰহ কুণ্ডৰ পৰা এটি নলাও আছে। এপুৰা মাটিৰ এটা পুখুৰী আছিল, কিন্তু বৰ্ত্তমান এই পুখুৰীটো পিতনিৰে ভৰি পৰিছে । চাৰিওফালে থকা গড়টোও আছি অতীতৰ বুকুত বিলীন হৈ গৈছে ।

**১৬২৫/২৬** শক মানত ৰুদ্ৰসিংহই গোবিন্দপুৰ ফাকুঁৱা দৌল এটাও মন্দিৰৰ সন্মুখতে নিৰ্মাণ কৰাইছিল। বৰ্ত্তমান ফাঁকুৱা দৌলটিৰ ওখ মাটিৰ ধিপটোৰ বাহিৰে পৌৰাণিক কীৰ্ত্তি চিহ্নবোৰ নোহোৱা হৈ গৈছে।

কিন্তু অসমৰ গৌৰৱ বহন কৰি অহা কীৰ্ত্তি মণ্ডিত এই শ্ৰীশ্ৰীৰঙ্গনাথ শিৱ মন্দিৰটোৰ অতীত গৌৰৱ হেৰাই যাবলৈ ধৰিছে। দ'ল দেৱালয়বোৰ স্বৰ্গদেউ সকলৰ প্ৰাণৰ বস্তু আছিল। কিন্তু আমাৰ উত্তৰ পুৰুষ সকলে আজিও তাৰ পূৰ্ণ মূল্যাঙ্কণ কৰিব পৰা নাই। সেই বাবেই এই বোৰ মঠ মন্দিৰ ভালদৰে সংৰক্ষিত হোৱা নাই।

[ বিঃ দ্ৰঃ **—** ২২ জানুৱাৰী ৮৭ সাপ্তাহিক প্ৰহৰীত প্ৰকাশিত আৰু এই প্ৰবন্ধ যুগুতাওঁতে **"**স্মৃতি পত্ৰিকা**"**ৰ কিছু সহায় লোৱা হয়**,** ম.ম.। ]

# উত্তৰ গুৱাহাটীৰ মণিকৰ্ণেস্বৰ মন্দিৰ

তাহানিতে কামৰূপ মানে অসম খন বুজাইছিল। কামৰূপৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ আৰু সেই প্ৰাগজ্যোতিষপুৰেই কালক্ৰমত গুৱাহাটী নাম পালে। এই গুৱাহাটী খন দেৱ-দেৱীৰ বাস স্থান আছিল বুলি কথিত আছে। নানান হিন্দু শাস্ত্ৰ শিল্প পুৰাণ, যোগিনী তন্ত্ৰ আদি পুথিত গুৱাহাটীৰ আশে পাশে থকা দেৱ-দেৱীৰ বাসস্থান মঠ-মন্দিৰ সম্পৰ্কে ভালদৰে আৰু বিতংভাৱে উল্লেখ কৰা আছে। সেইবোৰ মন্দিৰ স্থাপনৰ একোটা পৌৰাণিক আৰু অৰ্থবহ কাহানী পোৱা যায়।

সেই ইতিহাসৰ পাত উজলাই ৰখা পুৰণি কীৰ্ত্তি কাহিনী আৰু ভাস্কৰ্যৰে পৰিপূৰ্ণ অসমৰ এখন অতি মনোমোহা দেৱালয় হ'ল মণি কৰ্ণেশ্বৰ। উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত অৱস্থিত উমানন্দৰ ঠিক উত্তৰ পাৰে এইখন দেৱালয় অতি পুৰণি আৰু ইতিহাস প্ৰসিদ্ধ। মণি কৰ্ণেশ্বৰ দেৱালয়ৰ উৎপত্তি সম্পৰ্কে এটা পোৰাণিক কাহিনী শুনা যায়। কাহিনী এনেকুৱা –

দক্ষ ৰজাৰ জীয়ৰী সতী দেৱী যেতিয়া বিনা নিমন্ত্ৰণে আৰু পতি দেৱতা শিৱৰ কথা নুশুনাকৈ তেওঁৰ পিতৃয়ে আয়োজন কৰা যজ্ঞলৈ অতি আনন্দ মনে গৈছিল, তেতিয়া পিতৃ পক্ষৰ তৰফৰ পৰা সতীয়ে ভাল ব্যৱহাৰ নেপালে। সতীৰ বাকী বোৰ বাই-ভনী আছিল ধনী আৰু প্ৰতিষ্ঠিত। কিন্তু সতীৰ পতি আছিল নিৰহংকাৰ, নিৰ্বিকাৰ আৰু জটাধাৰী দিগম্বৰ। বাকী বিলাকতকৈ শিৱ আছিল দুখীয়া। গতিকে দক্ষ ৰজাৰ ৰাজ-যজ্ঞলৈ শিৱক নিমন্ত্ৰণ কৰা হোৱা নাছিল যজ্ঞৰ সৌন্দৰ্য হানি হয় বুলি। সতীৰ পিতৃয়ে যজ্ঞস্থলীত শিৱৰ বহু কদৰ্থনা, কুৎসা- ৰটনা কৰা দেখি পতি নিন্দাত তেওঁ বৰ দুখ পালে আৰু ফলস্বৰূপে তাতেই দেহত্যাগ কৰিলে।

যজ্ঞস্থলীত হলুস্থূল লাগিল। শিৱৰ কাণত কথাটো আহি পৰিল । শিৱই পত্নী বিয়োগৰ বাতৰি পাই উগ্ৰমূৰ্ত্তি ধাৰণ কৰি ঢাপলি মেলিলে ৰজা দক্ষৰ যজ্ঞ স্থানলৈ। শিৱৰ উপস্থিতিত সকলোবোৰ ত্ৰস্তমান। শিৱই পত্নীৰ কান্ধত তুলি লৈ দুখ মনেৰে যজ্ঞ স্থলীৰ পৰা লৈ আহিল। কিন্তু মনৰ বেজাৰতে শিৱই সতীক কান্ধৰ পৰা নমাই নথলে। সতীৰ বিয়োগত শিৱ জৰ্জৰিত হৈ ভৈৰৱ মূৰ্ত্তি ধাৰণ কৰি ত্ৰিভুৱন ঘূৰি ফুৰিব ধৰিলে । শিৱৰ তেনে কাণ্ড দেখি সকলো দেৱতা চিন্তাত পৰিল আৰু তাৰ উপায় বিচাৰিলে। পিচত বিষ্ণুৱে সুদৰ্শন চক্ৰৰ দ্বাৰা শিৱৰ কান্ধৰ পৰা সতীৰ মৃতদেহ খণ্ড খণ্ড কৰি কাটি পেলালে। সতীৰ বিভিন্ন অংগ পৰা ঠাইত একো একো খন শক্তিপীঠ স্থাপিত হ'ল। আমাৰ নীলাচল পাহাৰত সতীৰ যোনি প্ৰদেশ পৰাত ভাৰতৰ অন্যতম শক্তিপীঠ তীৰ্থস্থান কামাখ্যাৰ উৎপত্তি হয়। সেই কামাখ্যাৰে নিকটৱৰ্ত্তী "চাহবুৰুজ" পৰ্বতত সতীৰ কাণ আৰু মণি হেনো পৰিছিল। পিচত সতীক বিচাৰি বিচাৰি শিৱ যেতিয়া কৈলাশৰ পৰা আহে তেতিয়া মণিকৰ্ণেশ্বৰত সতীক জাগ্ৰত অৱস্থাত পাইছিল আৰু শিৱ-পাৰ্বতীৰ পুনৰ্মিলন হোৱাত শিৱ মণিকৰ্ণেশ্বৰত চিৰ জাগ্ৰত হৈ কামাখ্যা ৰূপীনী সতীক সদায় চাই থাকি হেপাহ পলুৱাবলৈ তাত ৰৈ যায়। মণিকৰ্ণেশ্বৰ দেৱালয় খন সতীৰ তীৰ্থস্থান নহৈ সেই কাৰণেই শিৱস্থান হৈ ৰ'ল দুয়োৰে ভগ্ন হৃদয়ৰ পুনৰ্মিলনৰ বাবে। এয়ে মণিকৰ্ণেশ্বৰ মন্দিৰৰ উৎপত্তি সম্পৰ্কে সংক্ষিপ্ত বিৱৰণ ।

"কামৰূপ বুৰঞ্জী"ৰ ২২৯ পৃষ্ঠাত মণিকৰ্ণেশ্বৰ পৰ্বতৰ নাম "চাহ" বুৰুজ" বুলি উল্লেখ আছে। এই মন্দিৰটোৰ মনোগ্ৰাহী ৰূপটো কালাপাহাৰৰ দিনত ধ্বংস হয় আৰু পিচত ৰাজেশ্বৰ সিংহই তাক পুনৰ্নিৰ্মাণ কৰি থৈ যোৱা মন্দিৰটোও আজি খহি খহি গৈছেহি। মন্দিৰৰ সভা ঘৰটো এজাক ধুমুহা বতাহ আহিলেই ব্ৰহ্মপুত্ৰত যে পৰিব তাত কোনো সন্দেহ নাই। ভোগৰন্ধা ঘৰটোত কেইডালমান কাঠ আছে; কিন্তু টিন বোৰ কোনে লৈ গৈছে কব

নোৱাৰো। মূল মন্দিৰৰ ভাস্কৰ্য খোদিত মঠটো সৌ তাহানিৰ ভূমিকম্পটোত খহি গৈছে যদিও তাক পুনৰ ভাল কৰা হোৱা নাই আৰু খোদিত ভাস্কৰ্য বোৰক শেলুৱৈয়ে ঢাকি ধৰিছে।

জানিব পৰা মতে এই মন্দিৰৰ সা-সম্পত্তি আগৰ দলৈ জনৰ দিনতে নাইকিয়া হৈছে। বৰ্ত্তমান এখন মন্দিৰ পৰিচালনা সমিতি আছে যদিও সেই সমিতি খন যে এখন কামত নহা তাক ভালদৰেই বুজিব পাৰি মণিকৰ্ণেশ্বৰ মন্দিৰৰ বৰ্তমানৰ ৰূপটো দেখি। বছৰি হেনো চৰকাৰে মন্দিৰটো পৰিচালনা কৰিবলৈ কিছু ধনো দিয়ে, কিন্তু ধনবোৰ কাৰ পেটত সোমাইগৈ কোনেও কব নোৱাৰে। বৰ্তমানৰ পূজাৰী জনে কোনোমতে শিৱৰ শিৰত ফুল-বেলপাত এপাহ দি আছে।

অসমৰ এনে পৌৰাণিক মঠ-মন্দিৰ বোৰ ভালদৰে সংৰক্ষণ কৰি পৰ্যটক সকলে চালগীয়া কৈ চিত্তাকৰ্ষক কৰি ৰাধিবলৈ চৰকাৰৰ দ্বায়িত্ব বোধ নাই নে?

[ বিঃ দ্ৰঃ—৪ চেপ্তেম্বৰ '৮৬ সাপ্তাহিক প্ৰহৰীত প্ৰকাশিত, ম.ম.। ]

# ঐতিহ্যপূৰ্ণ মহাভৈৰৱ মন্দিৰ

প্ৰবাদ মতে শোণিতপুৰত প্ৰহলাদৰ বংশোদ্ভৱ মহাবলি, শিৱৰ পৰম ভক্ত বাণ ৰজাৰ ৰাজধানী আছিল। বংশানুক্ৰমে বাণ ৰজাই মহা প্ৰভু মহাভৈৰৱক পূজা অৰ্চনা কৰি অহা কাহিনী প্ৰায় হাজাৰ বছৰৰ পুৰণি৷ মহাভাৰতৰ যুগৰ পৰা এই মহাভৈৰৱ মন্দিৰ শোণিতপুৰত (বৰ্ত্তমান তেজপুৰত) অৱস্থিত৷ কিন্তু এই মন্দিৰটোৰ শিৱ লিঙ্গ কোনে প্ৰতিষ্ঠা কৰিলে তাক কোনেও কব নোৱাৰে৷ শিৱ পুৰাণত মাত্ৰ ৰজা ৰাণীয়ে পূজা অৰ্চনা কৰা শ্লোক হে পোৱা যায়।

মহাভৈৰৱ অতি জাগ্ৰত বুলি ভক্ত সকলে কয় আৰু ভালেমান ভক্তই মহাভৈৰৱত একান্ত মনে পূজা অৰ্চনা কৰি ফল পাইছে বুলি এই সংবাদদাতাক জানিবলৈ দিয়ে।

মহাভৈৰৱ মন্দিৰৰ শিৱ লিঙ্গ ভাৰতৰ ভিতৰতে সৰ্ব্ববৃহৎ শিৱ লিঙ্গ বুলি প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰীমোৰাৰজী দেশাইয়ে ইয়াক দৰ্শন কৰি কৈ গৈছে যে এনেকুৱা শিৱ লিঙ্গ ভাৰতৰ আন ঠাইত পোৱা নেযায় ।

মহাশক্তিমান বাণৰজাৰ দিনৰ সেই মহাভৈৰৱ মন্দিৰৰ কীৰ্ত্তিস্তম্ভ আজি দেখিবলৈ পোৱা নাযায়। আজিৰ পৰা প্ৰায় ২৫০০ বছৰ পূৰ্বে স্বয়ম্বৰ ভাৰতী নামৰ মিস্ত্ৰী এজনে বৰ্ত্তমান থকা মন্দিৰ টোৰ পুনৰ্নিৰ্মাণ কৰে৷ তেওঁক সৰ্ব্বসাধাৰণ লোকে নাগাবাবা বুলিহে হেনো জানিছিল। মহাভৈৰৱ মন্দিৰৰ ওচৰতে দক্ষিণ ফালে তেওঁৰ সমাধি আজিও বিদ্যমান।

বাণৰজাৰ জীয়ৰী উষাদেৱীয়ে এই মহাভৈৰৱ মন্দিৰত সদায় পূজা কৰিছিল আৰু মহাভৈৰৱৰ পৰা ফলে৷ পাইছিল। শোণিতপুৰত এই মহাভৈৰৱ মন্দিৰৰ আশে পাশে বাণৰজ। দিনীয়া কীৰ্ত্তিস্তম্ভ আজিও পোৱা যায়।

ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা মহাভৈৰৱ দৰ্শনৰ বাবে ভক্ত সকল তেজপুৰলৈ আহে৷ কিন্তু দুখৰ বিষয় এই ঐতিহাসিক শোণিত পুৰৰ মহাভৈৰৱ মন্দিৰ আৰু বাণৰজাৰ অন্যান্য কীৰ্ত্তিস্তম্ভ বিলাক পৰ্যটক সকলৰ বাবে আমাৰ চৰকাৰে বিশেষ আকৰ্ষণীয় কৰি ৰাখিব পৰা নাই । শোণিতপুৰ অৰ্থাৎ বৰ্ত্তমান তেজপুৰৰ আশে পাশে থকা ইতিহাস প্ৰসিদ্ধ সম্পদবোৰ ভালদৰে সংৰক্ষণ কৰি পৰ্যটক সকলৰ বাবে আকৰ্ষণীয় কৰি ৰাখিব লাগে বুলি স্থানীয় ৰাইজে সদায় দাবী তুলি আহিছে৷

মহাভৈৰৱৰ পৰা প্ৰায় দুই কিলোমিটাৰ দূৰত বামুণী পাহাৰ অৱস্থিত। এই বামুণী পাহাৰত বাণৰজাৰ পূৰ্ব্বপুৰুষ প্ৰহলাদৰ দিনৰ পৰা তেওঁৰ দিনলৈকে থকা ৰাজপ্ৰাসাদত খোদিত ভাস্কৰ্য বোৰ আজিও অনাদৃত অৱস্থাতে পৰি আছে৷ সেইবোৰ ভালদৰে সংৰক্ষণ কৰা হোৱা নাই। বৰ্ত্তমান হাবি জংঘলে আৱৰি ধৰিছে। এই পাহাৰ খনত থকা ভাস্কৰ্য্যবোৰ পৰ্যটক সকলে যাতে ভালদৰে চাব পাৰে তাৰ বাবে এই ঠাই খনক আকৰ্ষণীয় কৰিব লাগে।

[ বিঃ দ্ৰঃ— ৭ আগষ্ট '৮৬ ৰ সাপ্তাহিক প্ৰহৰীত প্ৰকাশিত, ম. ম. ]

# উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰ

বিভিন্ন প্ৰাচীন সম্পদেৰে ঐতিহ্যমণ্ডিত অসমত এতিয়াও স্থাপত্য কলাৰ অনেক উজ্জ্বল নিদৰ্শন পোৱা যায়। ইয়াৰ ভিতৰত অসমৰ বিভিন্ন ঠাইত থকা মঠ-মন্দিৰ বোৰৰ আঁৰত প্ৰাচীন ধৰ্মবিশ্বাস আৰু জনশ্ৰুতি মূলক বিভিন্ন কাহিনী শুনা যায় যদিও প্ৰকৃততে এইবোৰেই হ'ল ইতিহাসৰ প্ৰধান সমলবোৰৰ এটা। তথাপিও এই আটাইবোৰ মঠ মন্দিৰ স্থাপনৰ অন্তৰালৰ প্ৰকৃত কাহিনী তথা ঐতিহাসিক উদেশ্য আজিও উদ্ধাৰ নোহোৱাটো পৰিতাপৰ বিষয়। শ শ বছৰ আগেয়ে নিৰ্মিত এই মঠ-মন্দিৰবোৰে বহন কৰা উচ্চ স্তৰৰ স্থাপত্য কলাৰো কোনো মূল্যায়ন হোৱা নাই। অসমৰ বিভিন্ন ঠাইত থকা এই ঐতিহা সিক মূল্যবান সম্পদৰাজিৰ সংৰক্ষণৰ ব্যৱস্থা লোৱা উচিত।

গুৱাহাটীৰ আশে পাশে পৌৰাণিক আৰু ইতিহাসৰ সমল বহন কৰি অহা এনে ভালেমান মঠ-মন্দিৰ পোৱা যায়। নদৰাজ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত, উত্তৰ গুৱাহাটীৰ বিভিন্ন এলেকাত এনেকুৱা ইতিহাসে গৰি অহা কেবাটাও হিন্দু মন্দিৰ আজিও বিৰাজি আছে। তাৰে ভিতৰত দৌলগোবিন্দ মন্দিৰ অন্যতম আৰু ই জাগ্ৰত বিষ্ণু মন্দিৰ। এই মন্দিৰত নিতৌ শ শ ভক্ত-ভক্তা দৰ্শনাৰ্থীয়ে নিজৰ মনোবাঞ্ছাৰ্থে ফুল বেলপাত ধূপ-ধুনাৰে ভক্তি সহকাৰে প্ৰভু বিষ্ণুৰ পদযুগলত অৰ্পণ কৰা তাহানি দিনৰে পৰা আজিও অব্যাহত আছে। কিন্তু এই মন্দিৰ স্থাপনৰ এটা কাহিনী জনশ্ৰুতি মতে পোৱা যায়। এনেদৰে আজি প্ৰায় আঢ়ৈশ বছৰ পূৰ্বে আনন্দৰাম বৰুৱাৰ পিতৃ পুৰুষ সকলৰ মৌজাৰ এলেকা আছিল ৰঙিয়ালৈকে। উত্তৰ গুৱাহাটীৰ পৰা ৰঙিয়ালৈকে বিস্তৃত এই অঞ্চলটো মৌজাদাৰী প্ৰথাৰে শাসন কৰি আছিল। ৰঙিয়াৰ ওচৰৰ সন্ধ্যাজাৰ নামৰ গাঁৱৰ এজন হোজা কছাৰী ৰায়তে তেওঁৰ খেতি পথাৰত হাল মাৰি থাকোতে এদিনাখন এছটা পাথৰ পালে। নাঙলৰ ফালত লগা শিলডোখৰ ভালদৰে খান্দি উলিয়ালে তেওঁ। কছাৰী জনে শিলচটা ভালকৈ নিৰিক্ষণ কৰি চালে যে সেই চটা শিলত কিবা অঁকা আছে। তেওঁ শিল ডোখৰ মৌজাদাৰৰ ঘৰলৈ লৈ যায় আৰু মৌজাদাৰক অৰ্পণ কৰে।

আনন্দৰামৰ পিতৃপুৰুষ জনাই (আজোককাই) শিলডোখৰত বিষ্ণুৰ মুৰ্ত্তি অংকিত থকা দেখি তাক ভালদৰে নামঘৰ সাজি প্ৰতিষ্ঠা কৰে। সেইদিনাৰে পৰা উত্তৰ গুৱাহাটীৰ ৰংমহলত দৌলগোবিন্দ মন্দিৰ স্থাপন হয়। বংশানু ক্ৰমে আনন্দৰাম বৰুৱাৰ পৰিয়ালৰ লোক সকলে দৌলগোবিন্দ মন্দিৰত একান্ত মনে ভক্তিভাবে পূজা-অৰ্চনা কৰি আহিছিল।

কিন্তু কালৰ কুটিল গতিত পৰি সেই তাহানি দিনীয়া দৌলগো বিন্দ মন্দিৰটো ধ্বংস হৈ যায় যদিও উত্তৰ গুৱাহাটীৰ সচেতন ধৰ্মা নুৰাগী লোক কিছুমানৰ সহযোগত বৰ্ত্তমান দৌলগোবিন্দ মন্দিৰটো নতুনকৈ নিৰ্মাণ কৰা হৈছে । দৌলগোবিন্দ মন্দিৰৰ জাগ্ৰত বিষ্ণুৰ মাহাত্ম্য কেৱল উত্তৰ গুৱাহাটীৰ আশেপাশে প্ৰকাশ হৈ নাথাকিল অসমৰ চতুৰ্দিশতে বিয়পি পৰিল বিষ্ণুৰ আলৌকিক শক্তিৰ মহিমা। অসমৰ চাৰি কোণৰ পৰাই ভক্ত সকল আহি দৌলগোবিন্দ প্ৰভুৰ শ্ৰীচৰণত পুষ্পাঞ্জলী দি যায় — নিজৰ অভিলাষ সিদ্ধিৰ হেতু জানিব পৰা মতে ভালেমান লোকে এই মন্দিৰত পুজা-অৰ্চনা কৰি সুফল লাভ কৰিছে।

ধৰ্মীয় সচেষ্ট আৰু ভক্ত সকলৰ অনুদানেৰে বৰ্ত্তমান দৌলগোবিন্দ মন্দিৰৰ আৰ-চি-চি মঠ আৰু সভা ঘৰটো নতুন ৰূপত নিৰ্মাণ হৈছে। বিভিন্ন ঠাইৰ পৰা অহা শশ ভক্তৰ নাম-কীৰ্ত্তনত প্ৰতিদিন উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰৰ আকাশ বতাহ মুখৰিত হৈ থকা দেখা যায়।

[ বি: দ্ৰ:- ২৩ অক্টোবৰ '৮৬ ৰ 'প্ৰহৰী' সাপ্তাহিকত প্ৰকাশিত ম. ম.। ]

# ধাৰেশ্বৰ মন্দিৰৰ আকাশীগঙ্গা

গুৱাহাটীৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ পশ্চিমত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ইতিহাসে গৰকি অহা হাতীমূৰা পাহাৰ অৱস্থিত। হাটীমূৰা পাহাৰৰ নামনিত বামুন্দী এখন ঐক্য আৰু সংহতিপূৰ্ণ জনবহুল আদৰ্শ গাওঁ। সাধাৰণ দৃষ্টিত হাতীমূৰ বৈচিত্ৰহীন পাহাৰ হলেও ইয়াৰ বুকুতে নিহিত হৈ আছে ইতিহাসৰ বহুতো সমল। সুদূৰ অতীতত ই আছিল "জটাধাৰী দেৱাদিদেৱ মহাদেৱৰ লীলাভূমি"। যোগিনীতন্ত্ৰ পুথিত এই পাহাৰৰ বিষয়ে পৰিস্কাৰ ভাৱে লিখা আছে—

সিদ্ধেশ্বৰস্য পাশ্চাত্যে
হস্তিযুণ্ডে পৰ্ব্বতে।
পৰ্ব্বতং হস্তিৰূপঞ্চ
ঊচ্ছেধং কৃষ্ণপিঙ্গলং
তত্ৰ ধীৰেশ্বৰং ।
দক্ষিণে তু মহেশ্বৰী।
অভ্যৰ্চ্চ্য গণপতিং দেৱং
কুলে বিঘ্নেং ভবেন্ন চ ।।
চণ্ডীং চ কাৰ্ত্তিকেয়ঞ্চ পূৰ্ব্বভাগে গুহাদ্বয়ে।
একালিঙ্গং শিলামধ্যে পদ্মকোষে তথা পৰে ॥
আকাশীগঙ্গাচিহ্নেৰ ৰক্তবক্ষঃ হিৰন্ময়ং ।
শ্ৰীভূতিসংস্থিতো দেৱঃ সিদ্ধোইয়ং সৰ্ব্বকামদঃ ।।

ওপৰোক্ত শ্লোকত এই পাহাৰৰ ওপৰত থকা আকাশীগঙ্গা আৰু শিৱ লিঙ্গ সম্পৰ্কে পোৱা যায়।

প্ৰবাদ আছে যে তাহানিতে এই পাহাৰৰ দাঁতিত কিছুমান কছাৰী লোকে বাস কৰিছিল। এজন কছাৰী লোকৰ এজনী খীৰতী গাইৰ সদায় পয়োধৰা চাৰিটি শুকাই থাকে। কছাৰী লোক জনৰ মনত সন্দেহ উপজিল। এদিনাখন ভৰদূপৰীয়া গৰু জাকৰ মাজৰ পৰা গাইজনী একাষৰীয়া হৈ গৈ থকা দেখি লোক জনেও তাইৰ পিচ ললে। পিচত দেখে যে গাইজনীয়ে এজোপা বিৰিণা গছৰ ওপৰত গাখীৰ দি আছে। পিছ দিনা তেওঁ কেইজনমান মানুহ লগত লৈ সেই বিৰিণ জোপা খান্দি পেলোৱাত শিলৰ টুকুৰা এটা পালে । ভালদৰে সিহঁতে পৰ্যবেক্ষণ কৰি গম পালে যে সেইটো অন্য একো নহয় শিৱ লিঙ্গহে। পিচত তাতেই প্ৰতিষ্ঠিত হৈ পৰিল শ্ৰীশ্ৰীধাৰেশ্বৰ শিৱ মন্দিৰ।

শিৱলিঙ্গ থকাৰ পৰা প্ৰায় ৫০০ মিটাৰ ওপৰত পাহাৰৰ গুহা এটাত আকাশীগঙ্গা চিৰবিদ্যমান। আকাশীগঙ্গালৈ উঠা খট্ খটিতেই বিৰাট শিলৰ মন্দিৰ এটাৰ ভগ্নাৱশেষ পোৱা যায় আৰু ইয়ে সেই কালৰ ঐতিহ্যপূৰ্ণ কীৰ্ত্তিলৈ মনোযোগ আকৰ্ষণ কৰে। কেনে সুন্দৰ আৰু পৰিকল্পিত ভাবে শিলবোৰ কটা আছে দেখিলেই আচৰিত লাগে। সেইবাটাও শিলত খোদিত কৰা আধাৰখিনি আজি নষ্ট হৈ অতীতৰ বুকুত জাহ গলেও দক্ষ গৱেষকে যে ইয়াৰ পাঠ উদ্ধাৰ কৰিব পাৰিব তাত কোনো সন্দেহ নাই।

আকাশীগঙ্গালৈ উঠিব পৰাকৈ শিলবোৰ খট্ খটিৰ দৰে পাৰি থোৱা আছে। গুহাৰ মাজত যি ঠাইত আকাশীগঙ্গাৰ চিহ্ন আছে তালৈ যোৱা ব্যক্তিৰহে বোধগম্য হয় যে সেই গুহালৈ উঠি যাবলৈ “বিশ্বকৰ্মাই কেনে দৰে খট্ খটিৰ ব্যৱস্থা কৰি থৈছে" গুহাৰ ওপৰ ভাগ আজিও মানুহৰ অলংঘ্য অৱস্থাতে আছে। আকাশীগঙ্গাৰ আকাশীজল সাধাৰণ পৰ্ব্বতীয়া নিজৰাৰ পানী নহয় বুলি সেই অঞ্চলৰ সকলো আবাল-বৃদ্ধ-বণিতাই গৌৰৱ অনুভৱ কৰে। দূৰ-দূৰণিৰ পৰা অহা তীৰ্থযাত্ৰী সকলে আজিও সেই আকাশীগঙ্গাৰ জল বটলত ভ'ৰাই নিয়া দেখা যায় । ধাৰেশ্বৰ দৰ্শন কৰিবলৈ ভূটীয়া সকলো আহিছিল। অৱশ্যে আজি কেই বছৰ মানৰ পৰা ভুটীয়া সকলৰ ভীৰ কম দেখা গৈছে।

প্ৰবাদ আছে যি আকাশীগঙ্গাৰ ওপৰত গাখীৰ ঢালি দিলে ৫০০ মিটাৰ তলত থকা শিৱলিঙ্গত আহি পৰে। পুৰণি মন্দিৰটো থাকোতে শিৱ লিঙ্গটো সদায় পানীৰ তলত বুৰ গৈ আছিল। বৰ্তমান নতুন মন্দিৰ সাজোতে শিৱৰ স্থলখিনি পকাকৰি দিয়া হয়।

ধাৰেশ্বৰ শিৱ মন্দিৰৰ সেই পৌৰাণিক ঐতিহ্যপূৰ্ণ মন্দিৰ আজি দেখিবলৈ পোৱা নাযায়। কালাপাহাৰৰ দিনত ইয়াৰ কিছু ধ্বংস হৈছিল আৰু ৰজা শিৱ সিংহৰ দিনত তাক মেৰামতি কৰি ভাল কৰা হৈছিল। শিৱসিংহৰ দিনৰ সেই পৌবাণিক দৌলটো ভাঙি বৰ্তমান চিমেণ্টেৰে সজা হৈছে।

[ বি:দ্ৰ: - ২৪ জুলাই ৮৬ৰ সাপ্তাহিক প্ৰহৰীত প্ৰকাশিত - ম. ম.]

# মহিমা মণ্ডিত উমানন্দ

গুৱাহাটী মহানগৰীৰ কোছাৰী ঘাটত থিয় দি নদৰাজ বিশাল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ দৃষ্টি নিক্ষেপ কৰিলে ব্ৰহ্মপুত্ৰৰ মাজত এটা সৰুকৈ শিলাদ্বীপ গছ গছনীৰে থিয় হৈ থকা দেখা যায়। এই শিলাদ্বীপটোৰ চৰণ যেন বাবা ব্ৰহ্মপুত্ৰই নিতৌ পথালী আছে। এই দ্বীপটোক দূৰণীৰ পৰা এটা ম'ৰা চৰাই যেন পাখি মেলি পানীত ওপঙিহে আছে তেনে অনুমান হয়। সেয়েহে ইংৰাজ সকলে এই দ্বীপটোক ম'ৰাচৰাইৰ দ্বীপ বুলিছিল। কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰৰ নিচিনা পুথিত এই মনোমোহা শিলাদ্বীপটোক 'ভস্মশিলা' 'ভস্মকূট' আদি বুলি অভিহিত কৰিছিল ।

ভস্ম শিলাৰ উৎপত্তিক পুৰণি ধৰ্মগ্ৰন্থ উপাখ্যান শিৱ কামদেৱৰ পৰা অহা বুলি অনুমান কৰাৰ যথেষ্ট স্থল আছে। অৱশ্যে শিৱ-কামদেৱৰ উপখ্যানটো এটা জটিল বাদানুবাদৰ বিষয় । উপাখ্যানটো সাধাৰণ ভাবে এনে ধৰণৰ যে -

সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই 'তাৰক' নামৰ এটা শক্তিশালী দৈত্যক স্বৰ্গৰ কোনো দেৱতাই তেওঁক বধ কৰিব নোৱাৰিব বুলি 'বৰ' দিয়ে। ব্ৰহ্মাৰ পৰা তেনে বৰদান লাভ কৰি দৈত্য তাৰকৰ মন উৎফুল্লিত হৈ পৰে আৰু ৰাতিটোৰ ভিতৰতে তাৰক স্বৰ্গবাসী হৈ পৰিল। দৈত্য তাৰকে ব্ৰহ্মাৰ পৰা এনে বৰ লাভ কৰাত স্বৰ্গবাসী যে সুখত থাকিব নোৱাৰিব এইটো সকলো দেৱতাই উপলব্ধি কৰিলে আৰু দৈত্যৰ কাৰ্য্যৰ কথা ভাবি সকলোটি ত্ৰস্তমান হৈ পৰিল। দৈত্য তাৰকৰ ভয়ত স্বৰ্গবাসী দেৱতা সকল কঁপিব ধৰিলে। দৈত্য তাৰকৰ পৰা ৰক্ষা পৰিবলৈ দেৱতা সকল ইন্দ্ৰ সমন্বিতে ব্ৰহ্মাৰ ওচৰ পালেগৈ। দৈত্য তাৰকক দিয়া 'বৰটোৰ কথা ব্ৰহ্মাই তেতিয়া উপলব্ধিয়ে কৰিব পৰা নাছিল যে এনে 'বৰ'ৰ ফলশ্ৰুতি অতি ভয়ানক হ'ব বুলি। ব্ৰহ্মাই দেৱতা সকলক উমাপতি সংহাৰকৰ্ত্তা দেৱাদিদেৱ মহাদেৱৰ ওচৰলৈ যাব ক'লে আৰু তেওঁহে এই কাৰ্য্যৰ সদুত্তৰ দিব পাৰিব বুলি ক'লে। সকলো দেৱতাই জটাধাৰী শিৱক সৈমান কৰাবলৈ বুদ্ধি পাঙিলে। শিৱ আছিল এক বৈৰাগী, কাম ভাবহীন দেৱতা। তেওঁলোকে ৰতিদেৱীৰ গুৰু কামদেৱৰ ওচৰ পালেগৈ আৰু কামদেৱক পাৰ্ব্বতীৰ সৈতে থাকি দেৱতা সকলৰ মঙ্গলৰ বাবে কাম কৰিবলৈ অনুৰোধ জনালে। শিৱ আছিল তেতিয়া ধ্যানস্থ। শিৱৰ ধ্যান ভঙ্গ কৰিবলৈ মদনে তেওঁৰ বন্ধু বসন্তৰ লগত পাঁচ ডাল কাঁড় মাৰি ৰতি ভাব জগাই তাত উপস্থিত হ'ল। দেৱতা সকলৰ সুখৰ কাৰণে মদনে এক সুন্দৰী নম্ৰ অপেশ্বৰীৰ ৰূপ ধাৰণ কৰে আৰু দক্ষিণ ফালেদি শিৱৰ ওচৰ চাপিল। মদনৰ এনে তীক্ষ্ণ বাণৰ বাবে শিৱৰ ধ্যান ভগ্ন হ'ল আৰু চকু মেলি দেখে যে তেওঁৰ ওচৰত উমা দেৱী থিয় দি আছে। উমাদেৱীক সন্মুখত দেখা পাই শিৱই এক মধুৰ হাঁহি মাৰিছিল আৰু তেওঁ চকু ফুৰাই দেখে যে কামদেৱে ঠোপা-ঠুপি ফুল চতিয়াই আছিল তেওঁলৈ। তেতিয়া শিৱই মনক দমন কৰি তেওঁৰ দহকোটি সূৰ্য্যৰ পোহৰৰ দৰে উজ্জ্বল ত্ৰিনয়ন উজ্বলি উঠিল আৰু সেই তীক্ষ্ণ দৃষ্টিত কামদেৱ ঠিতাতে ভস্মিভূত হ'ল। ব্ৰহ্মপুত্ৰৰ এই শিলাদ্বীপতে শিৱই কামদেৱক ভস্মিভূত কৰা বাবে ভস্ম শিলা বুলি কোৱা হয়, আৰু এই ডোখৰতে শিৱ 'উমা'ৰ মিলন হয় বাবে হেনো উমানন্দ বুলি জনা যায়।

উমানন্দ দেৱালয়ৰ প্ৰধান বৈশিষ্ট্য হ'ল একলিঙ্গ যাক কামাখ্যা দেৱীৰ ভৈৰৱ বুলিও জনা যায়। কালিকা পুৰাণত বৰ্ণনা কৰা মতে নন্দন পাহাৰৰ পূৱ দিশত ভস্মকূট পাহাৰ অৱস্থিত। এই ভস্মকূট পাহাৰৰ দক্ষিণ ফালে উৰ্ব্বশী দেৱীৰ স্থান, যিয়ে নেকি কামাখ্যাদেৱীৰ বাবে দেৱতা সকলৰ পৰা অমৃত লৈ আহিছিল। উৰ্ব্বশী উৰ্ব্বশী কুণ্ডত আছিল। এই উৰ্ব্বশী কুণ্ড ভস্মকূট পাহাৰ এলেকাতে আছিল। কামাখ্যা দেৱীয়ে হেনো দক্ষিণ ফালেদি ইয়ালৈ আহি অমৃত পান কৰিছিল। যোগিনী তন্ত্ৰ মতে অশ্বতীৰ্থৰ ওচৰত অৱস্থিত হস্তাচলৰ উত্তৰ-পূৱ দিশত ভস্মাচল আছে। ইয়াতে উৰ্ব্বশী নামেৰে এটুকুৰা ধৰ্মীয় পবিত্ৰ স্থল আছে, যাক দৰ্শন কৰিলে জীৱনৰ সকলো পাপ মোচন

হয়।

জনবিশ্বাস আৰু প্ৰবাদ মতে মাঘ মাহৰ শুক্লা একাদশী আৰু সংক্ৰান্তিৰ দিনা ইয়াত স্নান কৰিলে অশ্বমেধ যজ্ঞ কৰাৰ নিচিনা ফল প্ৰাপ্তি হয়। ইয়াকো বিশ্বাস কৰা যায় যে কোনো এটা সোম বাৰে পৰা অমাৱস্যা তিথিত পবিত্ৰ মনে ভষ্মচলত উঠি বৃষ ধ্বজ শিৱক পূজা অৰ্চ্চনা কৰিলে মোক্ষ প্ৰাপ্তি ঘটে ।

১৬১৬ শকত গদাধৰ সিংহই এই মন্দিৰটো পুনৰ্নিৰ্ম্মাণ কৰে আৰু তেওঁৰ দেশত প্ৰাকৃতিক দুৰ্যোগ ঘটাত এই মন্দিৰত হোমযজ্ঞ কৰি তেওঁ ৰাইজৰ মঙ্গল কামনা কৰিছিল। ১৭৪২ খৃঃত শিৱসিংহ ৰজাই এই মন্দিৰত এটা ৰূপৰ শিৱমূৰ্ত্তি স্থাপন কৰিছিল।

এই উমানন্দত মহাশিৱৰাত্ৰিৰ দিনা অতি উলহমালহেৰে শিৱ পূজা কৰিবলৈ দেশৰ অন্য প্ৰান্তৰ পৰাও ভক্ত সকল অহা দেখা যায়। কিন্তু দুখৰ বিষয় এই উমানন্দ মন্দিৰ অতি প্ৰাচীন আৰু মহত্বপূৰ্ণ হোৱা স্বত্বেও ইয়াৰ প্ৰতি আমি অতি উদাসীন, কিয়নো এই উমানন্দলৈ অহা যোৱাৰ সুব্যৱস্থ নাই। বাৰিষা কালত তালৈ যোৱা অতি কঠিন। যদি আমাৰ চৰকাৰে এই শিলাদ্বীপটোলৈ দৰ্শনাৰ্থীৰ লগতে পৰ্যটক সকলৰ যাতায়াতৰ সু-ব্যৱস্থা কৰিলেহেতেন তেতিয়া হ'লে এই উমানন্দৰ দিব্য কাহিনী দেশৰ সকলোৱে শুনিব আৰু দেখিব পালেহেঁতেন। গতিকে আমি ভাবো যদি উমানন্দলৈ এখন দলং নিৰ্মাণ কৰি দিয়ে তেতিয়া হ'লে আমাৰ বিভিন্ন প্ৰদেশ তথা দেশৰ পৰা অহা পৰ্য্যটক সকলে তালৈ গৈ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰাৰ উপৰিও মন্দিৰৰ মাহাত্ম্য জানিব পাৰিলেহেঁতেন। তাৰ লগে লগে আমাৰ চৰকাৰী পূঞ্জীলৈ কিছু অৰ্থ আহিলেহেঁতেন।

***

# শ্যামৰায় সত্ৰঃ এটি পৰিচয়

অসমীয়া জাতিৰ ঐক্য সংহতি আৰু কলা-সংস্কৃতি বিকাশত মহাপুৰুষ শ্ৰী শ্ৰী শংকাৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱে স্থাপন কৰা আৰু তেওঁলোকৰ আদৰ্শত গঢ় লৈ উঠা সত্ৰ সমূহৰ অৱদান অনস্বীকাৰ্য্য। ভগ্নমুখী বৃহৎ অসমীয়া সমাজখনক শংকৰদেৱে সত্ৰ স্থাপন কৰি গীতমাত-কলা, সাহিত্য আদিৰে সংগঠন কৰি নৱবৈষ্ণৱ ধৰ্ম প্ৰৱৰ্ত্তন কৰি এক নতুন পথ দেখুৱাই গৈছে। পিছে অতি দুখৰ বিষয় যে মহাপুৰুষ জনাই দি যোৱা অমৃতবাণী ধৰ্মতত্ব আৰু সত্ৰ সমূহৰ উদেশ্য, অসমীয়া বুলি কেৱল মুখতে গৌৰৱ বোধ কৰা সৱে পাহৰি পেলালে। অতীতৰ সেই গৌৰৱ বিলাক যেন দিনে দিনে মাৰ যাব ধৰিছে। তেৰাই যোৱা নামঘৰ কীৰ্ত্তনঘৰত আজি সময় মতে চাকি এগছিও নজলা অৱস্থা হোৱা দেখা যায়। অতীত ইতিহাসৰ পাতখিলাত সোণালী আখৰেৰে লিখি যোৱা তেৰাৰ আদৰ্শতে প্ৰতিষ্ঠা হোৱা এখন হেৰাই যোৱা পুৰণি সচং সম্পৰ্কে ইয়াত ব্যাখ্যা কৰাৰ প্ৰয়াস কৰা হৈছে।

শ্ৰীশ্ৰীশ্যামৰায় সচং এসময়ত গন্ধৰদিয়া গঞ্ৱালোক সকলৰ প্ৰাণ বিন্দু স্বৰূপ আছিল। মহাপুৰুষ শংকৰদেৱ আৰু দামোদৰদেৱৰ পদৰেণুৰ পৰা এই শ্ৰীশ্ৰীশ্যামৰায় সচংখন এক শৰণ নাম ধৰ্মৰ প্ৰচাৰ আৰু ইয়াৰ দ্বাৰা অসমীয়া জাতিৰ কল্যাণ তথা আৰু সংহতিৰ শুভকামনা কৰাৰ অন্যতম ধৰ্মানুষ্ঠান আছিল বুলি কলে নিশ্চয় বঢ়াই কোৱা নহ'ব।

শ্ৰীশ্ৰীশ্যামৰায় সচং খনৰ প্ৰতিষ্ঠা সম্পৰ্কে জানিবলৈ যাওঁতে এক মনোৰম কাহিনী শুনিবলৈ পোৱা যায়। ইয়াৰ বয়োজ্যেষ্ঠ লোক সকলে কয় যে আজিৰ পৰা প্ৰায় ৪৫০ বছৰ আগতে বামুন্দীৰ হাতী মূৰা পৰ্বতৰ পশ্চিম দিশত ব্ৰহ্মপুত্ৰৰ নদী দ্বীপ মাজুলীৰ নিচিনা কিছুমান উৰ্বৰ 'চৰ' আছিল। সেই সময়ত চুলিয়াদিয়াত বামুন্দীৰ গঞাঁলোক সকলে গৰু ম'হৰ 'বাথান' পাতি আৰু খেতি-বাতিৰে 'ফচল' উৎপাদন কৰি আনন্দ মনেৰে জীৱন নিৰ্বাহ কৰি দিন কটাইছিল। এই চুলিয়া দিয়াৰ উপৰিও ইয়াত আৰু কিছুমান 'চৰ' আছিল। তাৰে ভিতৰত জয়পুৰ নামৰ আন এটা বৃহৎ নদী দ্বীপ আছিল।

বৰ্ত্তমান 'জয়পুৰ' নলবাৰী মহকুমাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত। এই জয়পুৰৰ ওচৰত গন্ধৰ দিয়া নামৰ এখন গাওঁ আছিল। ১৪শ পৰিয়ালে তাত বসবাস কৰিছিল। যি সময়ত আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহ ডাঙৰীয়াই আউনীআটীয় সত্ৰাধিকাৰ কেশৱদেৱ বাপুক শদিয়াৰ পৰা আৰু আন আন সন্ত মহন্ত সকলক আনি মাজুলী সত্ৰখন ৰমক জমককৈ সজাই তুলিছিল ঠিক সেই সময়তে এই গন্ধৰ দিয়া গাৱঁত শ্ৰীশ্ৰীশ্যামৰায় সচং খন প্ৰতিষ্ঠা কৰা হৈছিল। পলাশবাৰীৰ ওচৰৰ মনপুৰ নামৰ গাঁৱৰ জয়দেৱ নামৰ লোক এজন ব্ৰহ্মপুত্ৰ নদী সাতুৰি আহি এই গন্ধৰদিয়াত উপস্থিত হয়। জয়দেৱ ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক আছিল আৰু তেওঁৰ গলত এধাৰী ৰুদ্ৰাক্ষৰ মালাদেখি গন্ধৰদিয়াৰ গঞাঁলোক সকলে আদৰ সাদৰকৈ গাৱলৈ লৈ যায়। সেই সময়ত বৰদোৱাত কছাৰী বিলাকৰ উপদ্ৰৱত গুৰুজনা তিষ্ঠি থাকিব নোৱাৰা অৱস্থা হোৱাৰ বাবে নাৱেৰে ভটিয়াই আহে আৰু শ্ৰীহাটী সত্ৰত জিৰণি লয়। গুৰুজনাৰ লগত দামোদৰদেৱো আছিল। শ্ৰীহাটীত জিৰণি লোৱাৰ পিছত পুনৰ ভটিয়াই শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীদামোদৰদেৱ নাৱত উঠি গন্ধৰদিয়াত নাওঁ ৰাখে। গন্ধৰদিয়া ৰাইজে গুৰু দুজনাক আদৰণি জনাই আৰু অবিবাহিত জয়দেৱক গুৰুদেৱে ৰাইজৰ সহযোগত বিবাহ পাশত সুমাই দি শ্ৰীশ্ৰীশ্যামৰায় সচঙৰ অধিকাৰী পাতে দুয়োজনা গুৰুৰ পাদুকা দুজোৰা দি জয়দেৱক শ্ৰীশ্ৰী শ্যামৰায় সচং গটাই থৈ আকৌ তেওঁলোকে নাৱেৰে ভটিয়াই যায়গৈ। গুৰুজনাৰ অমৰবাণীয়ে সকলো গঞাঁৰ মন পৰশি যায়।

লুইতৰ গতি ধাৰাই বাগৰ সলালে। সেউজী-উৰ্কৰ গন্ধৰদিয়াৰ প্ৰতি লুইতৰ কোপ দৃষ্টি পৰিল। কিছু বছৰৰ ভিতৰতে গন্ধৰদিয়া আৰু শ্যামৰায় সত্ৰৰ মূল ভূমিখণ্ড ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। তাত বাস কৰা লোক সকল দিহিঙে দিপাঙে যাব লগাত পৰে। কিছুমান লোক লাওঁপাৰা গাৱঁলৈ অহাত মহাপ্ৰভু শ্ৰীশ্ৰীশ্যামৰায়ৰ বিগ্ৰহ আৰু সচঙৰ মূল চাকিগচিও লাওঁপাৰা গাৱলৈ অনা হয়। লাওঁ পাৰাত পুনৰ সেই সচংখন প্ৰতিষ্ঠা কৰা হ'ল। কিন্তু দুখৰ বিষয় ব্ৰহ্মপুত্ৰই পুনৰ লাওঁপাৰা গাৱলৈ খেদা মাৰিলে। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত লাওঁপাৰাখনো পতিত হ'ল। বৰ্ত্তমান শনিমণ্ডল ৰোডৰ ওচৰত লাওঁপাৰা বাসিন্দা কিছুমানে এই মূল সচংখনৰ পৰম্পৰাক জীয়াই ৰাখিছে। বৰ্ত্তমান লাওপাৰাবাসীৰ এই শ্ৰীশ্ৰীশ্যামৰায় সচংখনক লৈ সমাজ ব্যৱস্থা আৰু ধৰ্ম সংস্কৃতিৰ গতিধাৰা জীৱন্ত হৈ আছে। ইয়াত প্ৰতি বছৰে নানান ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰীকৃষ্ণ জন্মাষ্টমী আৰু পচেতি উৎসৱ এই সচঙৰ বিশেষ আৰু প্ৰধান উৎসৱ।

ডঃ মহেশ্বৰ নেওঁগৰ ‘পবিত্ৰ অসম' নামৰ গ্ৰন্থখনত লাওঁপাৰাৰ শ্ৰীশ্ৰীশ্যামৰায় সচঙৰ কথা উল্লেখ আছে। ডঃ নেওঁগৰ ভাষাত সচংবোৰ সত্ৰতকৈ কম পৰিমাণে ৰাজহুৱা আৰু ঘাইকৈ পাৰিবাৰিক। সচংবোৰত ভকত সেৱা, পূৰ্ণসেৱা কৰণিসেৱা আদি চলে। কিন্তু শ্ৰীশ্ৰী শ্যাম ৰায় সচংখন পূৰ্বৰে পৰা ৰাজহুৱা ধৰ্মানুষ্ঠানহে আছিল গতিকে ইয়াক ‘সচং’ নকৈ সত্ৰ বুলি কোৱাহে যুগুত বুলি আমি ভাবো।

চাৰিশ পঞ্চাশ বছৰ ধৰি এই সত্ৰখনে হিন্দু ধৰ্মৰ অমৰ বাণী আৰু শান্তিৰ অমিয়া নিজৰা বোৱাই আহিছে। এই সত্ৰত দুখন অতি পুৰণি সাচি পাতৰ পুথি আছে যদিও তাৰে এখন পইতা চৰাই কুটি টুকুৰা টুকুৰ কৰা দেখা যায়। নিঃচিহ্ন হৈ যাব ধৰা এই আপুৰুগীয়া সাচি পাতৰ পুথি দুখন বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে? আমি ভাবো তথ্য অনুসন্ধানী সকলে অন্তত এই পুৰণি শ্ৰীশ্ৰীশ্যামৰায় সত্ৰত থকা পুৰণি সাচিপাতৰ পুথি, মণিকূট গুৰুআসন আৰু ভাস্কৰ্য্যখিনি সংৰক্ষণ কৰি ৰখাৰ বাবে আগবাঢ়ি আহিব নহ’লে আমাৰ অতীত ইতিহাসে শাওপাত দিব।

[ বিঃদ্ৰঃ—১৭ চেপ্তেম্বৰ ৮৯ ৰ ‘আজি অসম’ বাতৰি কাকতত প্ৰকাশিত, ম.ম. ]

# বামুন্দীৰ গলেশ্বৰী মন্দিৰ

বামুন্দীৰ হাতীমূৰা পাহাৰৰ উত্তৰ দিশত অৰ্থাৎ হাতীৰ নেজডাল সদৃশ পাহাৰৰ সেই ঠাইখিনিতে হেনো 'গলেশ্বৰী" নামৰ এটা মন্দিৰৰ অৱস্থিতি আছিল। 'গলেশ্বৰী' মন্দিৰ শক্তিপীঠ আছিল বুলি এই অঞ্চলত জন প্ৰবাদ আছে। ধাৰেশ্বৰ দেৱালয়ৰ মন্দিৰ আৰু গলেশ্বৰী মন্দিৰ কালাপাহাৰৰ অত্যাচাৰত ধ্বংস প্ৰাপ্ত ঘটে বুলি আঠুমূৰীয়া লোক সকলে আজিও কয়। কিছুমান লোকে আজিও কয় যে গলেশ্বৰী মন্দিৰৰ শিলৰ খুটা কেইটামান হেনো তাহানীতে ডামপুৰীয়া লোকে নি মছজিদত লগায়। অৱশ্যে ই কিমান দূৰ সত্য ঠাৱৰ কৰা কঠিন।

অৱশ্যে এইটো নুই কৰিব নোৱাৰি যে হাতীমূৰা পাহাৰৰ সেই ঠাই খনত গলেশ্বৰী মন্দিৰ নাই বুলি, কিয়নো ১৯৭৪ চনত গলেশ্বৰী মন্দিৰৰ তথ্য উদ্‌ঘাটন কৰিবলৈ শুৱালকুছি মহাবিদ্যালয়ৰ প্ৰবীণ অধ্যাপক শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তীৰ লগত এটা ইতিহাস তথ্যসন্ধান অনুৰাগী যুৱকৰ দলৰ সৈতে এই প্ৰৱন্ধ লিখকো তালৈ গৈ খনন কাৰ্য্য চলাইছিল । খনন কাৰ্য্য চলাই তাত কিছুমান পুৰণি ইটাৰ টুকুৰা পোৱা গৈছিল। তথ্য অনুসন্ধান কাৰীলোকে ভালদৰে অধ্যয়ণ কৰিলে নিশ্চয় গলেশ্বৰী মন্দিৰৰ ইতিহাস পাব।

দুখৰ বিষয় এই সম্পৰ্কে অধ্যয়ন কৰা লোক সমাজত অতি নগণ্য আৰু অধ্যাপক শ্ৰীমান চক্ৰৱৰ্ত্তীৰ পৰলোক প্ৰাপ্তি ঘটাত সেই কাম সিমানতে থাকিল ।

গলেশ্বৰী মন্দিৰ ধ্বংসাৱশেষ উদ্ধাৰ আৰু মন্দিৰৰ পুৰণি কাহিনী কোৱা লোকো বৰ্তমান বামুন্দী অঞ্চলত নোহোৱা হ'ল। সেয়ে বামুন্দীৰ ইতিহাসৰ পাতখিলাত ই এক আধৰুৱা অধ্যায় হৈয়ে ৰ'ল।

***

# বামুন্দীৰ মহামায়া শ্ৰীশ্ৰীকালী মন্দিৰ

বামুন্দীৰ হাতীমূৰা পাহাৰত অৱস্থিত আন এটা উল্লেখযোগ্য মন্দিৰ হ'ল মহামায়া, মহাশক্তি শ্ৰীশ্ৰীকালী মন্দিৰ।

হাতীমূৰা পাহাৰৰ দক্ষিণ অংশত গোধাৰ পাক আছে। অসয়ত নদৰাজ ব্ৰহ্মপুত্ৰই হাতীমূৰা পাহাৰৰ গা চুই বৈ গৈছিল আৰু এই পাহাৰৰ অংশত এক বিৰাট পানীৰ (চাকনৈয়া) পাক আছিল। সাধাৰণতে এই পাকত নাও আদি পৰিলে সহজতে নাওঁ উঠিব নোৱাৰে । এই পাকত হেনো এচটা বৃহৎ শিলত উঠি গোধায় বৰশী বাই মাছ ধৰিছিল, গোধাৰ পাক এই কাৰণেই বিখ্যাত যে জনশ্ৰুতি মতে মৃত স্বামীক কলৰ ভেলত তুলি সতী বেউলাই জীয়াই তুলিবলৈ ভগৱানক স্তুতি কৰিছিল আৰু সতীৰ ভেলখন হেনো ব্ৰহ্মপুত্ৰৰ প্ৰৱল সোঁতৰ বিপৰীতে উজায় আহি এই গোধাৰ পাকত পৰিছিল। সতী বেউলাৰ ৰূপত মুগ্ধ হৈ গোধাই তেওঁক বিয়া কৰাৰ প্ৰস্তাৱ দি নানান চলাহি কথা কৈছিল আৰু তেতিয়া সতীয়ে গোধাক অভিশাপ দিছিল ।

অৱশ্যে গোধাৰ পাক আছে যদিও ইয়াত কোনো মঠ-মন্দিৰ নাই মাথোন গোধাই বৰশী বোৱা ঠাই ডোখৰত থকা শিলটোত গোধাৰ ভৰিৰ চিহ্ন হে দেখা যায়।

এই গোধাৰ পাকত অৰ্থাৎ পাহাৰখনৰ দাঁতিত মহামায়া শ্ৰীশ্ৰী কালীৰ মন্দিৰ স্থাপিত হৈছে। কলি কালত কালীৰ অলৌকিক দৰ্শনেই এই অঞ্চলৰ ৰাইজক আচৰিত কৰি তুলে। দেখাত অবিশ্বাস্য হলেও ই এটা সত্য কাহিনী।

সেয়া আজিৰ পৰা প্ৰায় ৩০ বছৰ আগৰ কথা। শ্ৰীমায়াৰাম কলিতাক হঠাৎ মাৰি পেলাই । তেওঁ সংজ্ঞাহীন হৈ পৰি যায়। কেতিয়াবা, খেতিপথাৰত, কেতিয়াবা নামঘৰত তেওঁ নিমাতহৈ পৰি থাকে আৰু কেতিয়াবা তেওঁ কাৰোবাৰ সৈতে বুৰ-বুৰাই কথা পাতি থাকে । কিছু সময় এইদৰে থকাত মুখেৰে ফেন পানী নিগৰি ওলাই। লোকৰ দৃষ্টিত একো নাই, কিন্তু মায়াৰাম কলিতাৰ চকুত অজস্ৰ কালী মূৰ্তিৰ দিব্যজ্যোতিয়ে তেওঁৰ চকু চাত্ মাৰি ধৰে। দেৱীক মন্দিৰ লাগে। মায়াৰাম কলিতাই বাৰু মন্দিৰ কেনেকৈ সাজে? ধন বিত নোহোৱা তেওঁ এজন দুখীয়া কৃষক, গতিকে তেওঁৰ পক্ষে মন্দিৰ সজা কঠিন। এইদৰে সময় গৈ থাকিল। দেৱীয়ে আকৌ তেওঁক দেখা দিলে দেৱীয়ে মায়াৰাম কলিতাক কলে যে তেওঁৰ ঘৰৰ সন্মুখেদি বৈ যোৱা লাহেশ্বৰী সুতিটোৱে দি পিচ দিনা এটুকুৰা কলা কাঠ ওপঙি আহিব আৰু তাক আনি ভড়াল ঘৰত ( ভাখেৰী ঘৰত য'ত ধান ৰখা হয় ) স্থাপন কৰিব লাগে নহলে সবংশে তেওঁক ধ্বংস কৰিব । দেৱীয়ে কথা খিনি কৈ অন্তৰ্ধান হল। মায়াৰাম কলিতাই কথাখিনি নিজ পেটতে সুমাই ৰাখিলে আৰু পিচ দিনা দেৱীয়ে দিয়া সময়মতে কাঠ টুকুৰা সাতুৰী নদীৰ পৰা আনি ভড়াল ঘৰত স্থাপনা কৰে। সেই দিনাৰে পৰা তাত তেওঁ চাকি বন্তি দি মহামায়াক স্তুতি কৰে।

মায়াৰাম কলিতাৰ দিনবোৰ বাগৰি গৈ থাকিল । এদিনাখন মায়াৰাম কলিতাই নিজৰ ঘৰৰ কাষতে থকা পাহাৰৰ দাঁতিৰ মাটি ডৰাত লগৰ কেইজনমানৰ লগত পকা ধান দাই থাকোতে আকৌ দেৱীয়ে হেচাঁ মাৰি ধৰে। মাটিত পৰি মায়াৰাম কলিতাই কক্ বকাই থাকিল। লগৰ কেইজনে তেওঁক মাটিৰ পৰা তুলিবলৈ প্ৰয়াস নকৰিলে আৰু প্ৰায় আধাঘণ্টা মানৰ পিচত তেওঁ যেতিয়া উঠি বহে, তেতিয়া লগৰ কেইজনে তেওঁৰ কাষৰ পৰা এডালি সাপ যোৱা দেখা পালে। এই ঘটনা লগৰ কেইজনে দেখাত, মায়াৰাম কলিতাৰ কাহিনীটো ৰাষ্ট্ৰহৈ পৰিল। দেৱী গাৰ পৰা যোৱাৰ পিচত তেওঁ এজন সাধাৰণ মানুহৰ নিচিনা হৈ পৰে।

মায়াৰাম কলিতাই দেৱীৰ মন্দিৰ সাজি উলিয়াব নোৱাৰাত আকৌ এদিন দেৱী আৱিভূ'তাহৈ এটা উপায় দিলে। তেওঁৰ ঘৰৰ নাতি দূৰতে থকা দণ্ডিৰাম কলিতাক লগত লৈ ধন সংগ্ৰহৰ পথ দিলে। একে সময়তে দেৱীয়ে দণ্ডি কলিতাকো ৰাতি সপোন দেখুৱালে যে মায়াৰাম কলিতা সাতদিন ধৰি নিমাত হৈ থাকিব আৰু তেওঁক লগত লৈ মন্দিৰ সাজি উলিয়াবৰ বাবে সাতদিন ধৰি গাঁৱে গাঁৱে গৈ ধন সংগ্ৰহ কৰিব লাগিব। দেৱীৰ এই আজ্ঞা পাই দণ্ডি ৰাম কলিতা উচপ খাই উঠিল আৰু পিচ দিনাৰে পৰা ধন সংগ্ৰহৰ বাবে ছয়ো ওলাই। দেৱীৰ এই কাহিনী শুনি সকলোৱে ধন আগবঢ়ালে আৰু ৰাইজৰ সহযোগত শ্ৰীশ্ৰী কালী মন্দিৰ স্থাপন হৈ উঠিল।

বামুন্দীৰ এই শ্ৰীশ্ৰীকালী মন্দিৰ দৰ্শন কৰিবলৈ অসমৰ ইমূৰৰ পৰা সিমূৰৰ ভক্ত—ভক্তা সকল অহি পূজা অৰ্চ্চনা কৰি যায়। শুনা যায় যে এই শ্ৰীশ্ৰীকালী মন্দিৰত পূজা এভাগ দেৱীলৈ বুলি আগবঢ়াই বহুতে সুফল লাভ কৰিছে।

বৰ্তমান কুৰি শতিকাত মহামায়া শ্ৰীশ্ৰীকালীৰ এই কাহিনী হয়তো বহুতেই উলাই কৰি উৰুৱাই দিব, কিন্তু ভগৱান বিশ্বাসী লোক সকলে ইয়াৰ মাহাত্ম্য সদায় অনুধাৱন কৰি নিজ মনক প্ৰবোধ দি শান্তি অনুভৱ কৰি আছে।

[ বিঃ দ্ৰঃ অগ্ৰদূত কাকতত প্ৰকাশিত। ম. ম. ]

# ঐতিহ্য মণ্ডিত সিদ্ধেশ্বৰ দেৱালয়

অসমৰ মানচেষ্টাৰ শুৱালকুছি অকল পাট মুগাৰ কাপোৰৰ বাবেই বিশ্ব বিখ্যাত নহয় ই এখন ইতিহাসে গৰকি অহা ধাৰ্মীক আৰু সাংস্কৃতিক পৰম্পৰা থকা ঠাই বুলি কলেও নিশ্চয় বেছি কোৱা নহ'ব। শুৱালকুছিক যিদৰে পাট-মুগাৰ কাপোৰে বিশ্বৰ জনমানসত পৰিচয় কৰি দিবলৈ সক্ষম হৈছে, ঠিক তেনেদৰে সৌ তাহানীৰে পৰা হিন্দু ধৰ্মৰ ধ্বজা উৰুৱাই অহা বাবা সিদ্ধেশ্বৰ বিৰাজিত শ্ৰীশ্ৰীসিদ্ধেশ্বৰ দেৱালয় খনেও ইয়াক ধাৰ্মীক জগতখনত এখন উচ্চ আসন দিব পাৰিছেহঁক।

সিদ্ধেশ্বৰ দেৱালয়খনৰ উৎপত্তি সম্পৰ্কে কোনেও সঠিকভাৱে কব নোৱাৰে আৰু কিংবদন্তিও ঢুকি পোৱা নাই যদিও ইয়াক স্বৰ্গদেউ শিৱসিংহৰ দিনত পুণৰ্নিৰ্মান কৰা হয় বুলি কামৰূপ বুৰঞ্জী আৰু বিভিন্ন গ্ৰন্থত উল্লেখ আছে। যোগিনী তন্ত্ৰ পুথি খনতো এই সিদ্ধেশ্বৰ দেৱালয়ৰ অৱস্থিতিৰ কথা উদ্ধৃতি আছে। যোগিনী তন্ত্ৰপুথিৰ ২,৯,১২৯ শ্লোকত উল্লেখিত বিন্ধ্যাচলেই হ'ল সিন্ধ্যাচল পৰ্ব্বত। এই সিন্ধ্যাচল পৰ্ব্বতত অৱস্থিত মন্দিৰৰ দেৱতা সিদ্ধেশ্বৰ বুলি যোগিনীতন্ত্ৰ পুথিৰ ২,৮,২৯ শ্লোকত ব্যাখ্যা কৰা আছে। গেজেটিয়াৰৰ মতে এই মন্দিৰটো ১৭২৯ চনত মহাৰাজ শিৱসিংহৰ দিনত পুনৰ্নিৰ্মাণ কৰা হয় আৰু লাখেৰাজ জমি আছে ৪৭৪ বিঘা।

সমগ্ৰ অসমত মহাৰাজ শিৱ সিংহৰ দিনত পুৰণি মঠ-মন্দিৰ বোৰে নতুন প্ৰাণ পাইছিল আৰু শৈৱ ধৰ্ম প্ৰচাৰ কৰি তেওঁ খ্যাতি অৰ্জন কৰি গৈছে মহাৰাজ শিৱসিংহৰ দৃষ্টিৰ পৰা এই সিদ্ধেশ্বৰ দেৱালয় খনো সাৰি যাব পৰা নাছিল। ১৮৯৭ চনৰ বৰ ভূইকঁপৰ সময়ত এই মন্দিৰটো পতিত হোৱাত পুৰণি কীৰ্তি স্তম্ভবোৰ বিনষ্ট হৈ পৰে আৰু তাত থকা তামৰ ফলিৰ লগতে শিল্প ভাস্কৰ্য বোৰৰো যথেষ্ট ক্ষতি হয়। সিদ্ধেশ্বৰ দেৱালয় সম্পৰ্কে জানিবলৈ হলে তাত থকা তামৰ ফলিখন পঢ়ি চালেই বুজিব পাৰি ইয়াৰ ইতিহাস কিমান সমৃদ্ধ আৰু পুৰণি । এই তামৰ ফলিখনত এনেদৰে লিখা আছে –

"স্বস্তি ঐীসিদ্ধেশ্বৰ দেবস্য দত্তৈ তৎবৃঁতি তোষকঃ

প্ৰমাদঃ পালকং পাতু সহৰাজ্যং নৰাধিপং

তদ্ৰায়স্তু দদৌ যৎ শ্ৰীধৰ্ম পালোজ বংশজঃ

শ্ৰীগদাধৰ সিংহশ্চ ভূপেশঃ শত্ৰুবংশজঃ ॥

শ্ৰীসিদ্ধেশ্বৰ ধৰ্জ্জ টেৰহৰহঃ সেবাদি বৃত্তি প্ৰদং

তাম্ৰ পত্ৰমিদং শিৱায়বিদধে প্ৰদত্তৰ্ন্নো দ্ধতং ॥

স্বস্তি শ্ৰীশিৱ সিংহ স্বৰ্গনৃপতেৰা দেশতো যজৱান ।

মন্ত্ৰী শ্ৰীতৰুণঃ সুসেৱি ডুৱৰা বংশো বৃহৎ ফুক্কনঃ ॥

ইতিহাসানুৰাগী ব্যক্তি সকলে যদি সিদ্ধেশ্বৰ দেৱালয় সম্পৰ্কে জানিব বিচাৰে তাৰে আংশিক পাঠ উদ্ধাৰত এই তামৰ ফলিখনে নিশ্চয় সহায় কৰিব বুলি আশা কৰিব পাৰো।

পিচে অসমৰ অন্যান্য শিৱ মন্দিৰৰ নিচিনা এই মন্দিৰৰ পূজা পাতালৰ পদ্ধতি একে নহয়। মন কৰিব লগীয়া এই যে অন্যবোৰ শিৱ মন্দিৰত শিৱ লিঙ্গৰ পূজাই প্ৰাধান্য লাভ কৰি আহিছে। কিন্তু সিদ্ধেশ্বৰ মন্দিৰত লিঙ্গ পূজাই উচ্চ আসন আৰু প্ৰাধান্য লাভ কৰিব পৰা নাই। আন এটা উল্লেখনীয় যে এই মন্দিৰত একেলগে শিশু লিঙ্গ আৰু বিষ্ণু মূৰ্ত্তি থকাতোও মন কৰিব লগীয়া বিধৰ । কিয়নো হিন্দু শাস্ত্ৰ মতে শিৱ আৰু বিষ্ণু দুটা বেলেগ বেলেগ শক্তি। সেয়েহে দুয়োটা বিগ্ৰহ একে লগে স্থাপিত হোৱাতো বিসদৃশ যেন লাগিলেও ইয়াৰ পৰা বুজিব পাৰি যে এই মন্দিৰটো বিষ্ণুৰ শক্তি অৰ্থাৎ বৈষ্ণৱ শক্তিৰ প্ৰভাৱৰ পৰা মুক্ত হবহি পৰা নাই। জনশ্ৰুতিৰ পৰা জনা যায় যে সিদ্ধেশ্বৰ মন্দিৰ সাজি উলিয়াওতে সিজোৱা কণী আৰু মাগুৰ মাছৰ তেজ ব্যৱহাৰ কৰা হৈছিল। কণী আৰু মাছৰ তেজ ব্যৱহাৰ কৰাত বিগ্ৰহ অশুচি হয় আৰু বাবা সিদ্ধেশ্বৰে ৰজাক সপোনত অধৰ্ম হোৱা বুলি কয়। তেতিয়াৰে পৰা লিঙ্গৰ ওপৰত পূজা নকৰি সভাঘৰত পূজা ভাগ দিয়ে। অকল সিদ্ধেশ্বৰ দেৱালয়ত শিৱ বিষ্ণুৱেই বাস কৰা নাই মহাশক্তি দেৱী দুৰ্গাইও বাস কৰি আছে । দুৰ্গাৰ মূৰ্ত্তি থকা তোৱেই প্ৰমাণ কৰে যে শিৱ আৰু আদ্য শক্তি দুৰ্গাৰ প্ৰভাৱৰ কথা। সিদ্ধেশ্বৰ দেৱালয় অকল শৈৱ ধৰ্মালম্বী সকলৰে পবিত্ৰ তীৰ্থ ক্ষেত্ৰ নহয় ই বুদ্ধ ধৰ্মাৱম্বী সকলৰো পবিত্ৰ তীৰ্থস্থান বুলি খ্যাতি আছে। বহু বছৰ ধৰি এই মন্দিৰত সুবাদ্দুবি নামে বৌদ্ধ সন্ন্যাসী এজনে থাকি বৌদ্ধ ধৰ্মৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ হেনো বুদ্ধ দেৱৰ শেষ শিষ্য আছিল। তত্ত্ববিদ ৰাজমোহন নাথে সিদ্ধেশ্বৰ মন্দিৰক গুপ্ত সভ্যতাৰ আৱদালত শৈৱ মন্দিৰলৈ ৰূপান্তৰিত হয় বুলি মত পোষণ কৰি গৈছে ।

বৰ্তমান তাহানীৰ সেই অতীত গৌৰৱেৰে প্ৰভাৱিত সিদ্ধেশ্বৰ মন্দিৰৰ মনোমোহা সৌন্দৰ্য্য আৰু পুৰণি কলিয়া চিত্ৰ ভাস্কৰ্যবোৰৰ আকৰ্ষণ আজি আৰু নাই। ১৯৬৭ চনতে পাচ কৰা Religious Act মতে দেৱালয়খন চৰকাৰে অধিগ্ৰহণ কৰে যদিও আজিকোপতি এই মন্দিৰৰ উন্নতি হোৱা আমাৰ দৃষ্টিত পৰা নাই। বছৰি মাত্ৰ ৬৬২.০০ টকাৰ অনুদানেৰে বাৰু মন্দিৰটো পৰিচালনা কৰিব পাৰিনে? সেই বিষয়ে মন্দিৰ পৰিচলনা সমিতিৰ সম্পাদক শ্ৰীচতীন্দ্ৰ নাথ শৰ্মাই আক্ষেপ কৰি আমাক মন্দিৰটোৰ দুখ লগা ভিতৰ চ'ৰাৰ সম্যক বুজ দিয়ো গুৱাহাটীৰ পৰা যিহেতু শুৱালকুছি বেছি দূৰত নহয়, আৰু ই এখন বাণিজ্যিক প্ৰধান ঠাই ইয়াত থকা সিদ্ধেশ্বৰ মন্দিৰটো পৰ্য্যটক সকলৰ চকুত পৰাকৈ সজালে নিশ্চয় পাট-মুগাৰ বেহা কৰিবলৈ অহা লোক সকলে এই মন্দিৰটো দৰ্শন কৰি কৃতাৰ্থ হব পৰিব বুলি আমি আশা কৰিব পাৰোহঁক ।

[ বিঃ দ্ৰঃ – সাপ্তাহিক ‘প্ৰহৰী’ ত প্ৰকাশিত। মম ]

# ইতিহাস প্ৰসিদ্ধ চম্পক নগৰ

গুৱাহাটীৰ পৰা প্ৰায় ৫৫ কিলোমিটাৰ পশ্চিমত ইতিহাস প্ৰসিদ্ধ চম্পক নগৰ অৱস্থিত। চম্পক নগৰ বুলি কলেই মনলৈ আহে এজন প্ৰতাপী বণিক সাউদ, অত্যন্ত জেদী পুৰুষ চান্দ সদাগৰৰ কথা। তাৰ উপৰি তেওঁৰ মনসা দেৱীৰ সৈতে লগা কাজিয়া, বেউলা লখিন্দাৰৰ বাবে সজা 'মেৰঘৰ' আৰু সতী বেউলাৰ স্বামী ভক্তিৰ অমৰ কাহিনী আদিয়ে অসম বুৰঞ্জীৰ পাতখিলা যে সমুজ্জ্বল কৰি ৰাখিছে তাৰ কথা মনলৈ নাহি নোৱাৰে।

অসমৰ জনসাধাৰণে বেউলা-লখিন্দাৰৰ কাহিনী নিশ্চয় কম বেছি পৰিমাণে জানে। চান্দসদাগৰে মহামায়া বিষহৰিৰ লগত জেদ কৰিছিল তেওঁক পূজা নকৰো বুলি আৰু বিষহৰিয়ে চান্দ বুঢ়াৰ লগত কাৰ্জিয়া কৰি তেওঁ বণিজলৈ নিয়া ডিঙাবোৰ ব্ৰহ্মপুত্ৰৰ পানীত বুৰাই পেলাই যথেষ্ট অনিষ্ট কৰিছিল আৰু অৱশেষত তেওঁৰ অতি মৰমৰ পুত্ৰ লখিন্দাৰকো ফুল শয্যাৰ দিনাই হত্যা কৰা হ'ব বুলি দেৱীয়ে ভাবুকি দিছিল। লখিন্দাৰক যাতে হত্যা কৰিব নোৱাৰে তাৰ বাবে চান্দ বুঢ়াই 'মেৰঘৰ' সাজিলে । ( মেৰঘৰ মানে এনে এটা ঘৰ য'ত নেকি পিপৰা এটাও সুমাব নোৱাৰে) কিন্তু ইতিমধ্যে দেৱীয়ে খনিকৰকো সাৱধান বাণী শুনাই থয় যদিহে তেওঁ ছেদ এটাও নেৰাখে সবংশে ধ্বংস কৰাৰ৷ সেয়ে সামান্য ছেদ এটা খনিকৰে সাউদক কব নোৱাৰা কৈয়ে ৰাখে।

লখিন্দাৰ গুণৱান, ৰূপবান, ধনৱান আদি আটাইবোৰ গুণেৰে বিভূষিত। গতিকে তেওঁৰ লগত বিয়া হোৱাৰ যোগ্যা কন্যা বেউলাকে চান্দ বুঢ়াই পছন্দ কৰে। চান্দবুঢ়াই বেউলাক বোৱাৰী হিছাপে গ্ৰহণ কৰাৰ কাহিনীও অতি দীঘলীয়া অৱশ্যে সেইবোৰ ইয়াত লিখা কথা নহয়। শেষত সাউদৰ পুতেক লখিন্দাৰক বিষহৰিয়ে ফুল শয্যাৰ নিশা বেউলাক নিদ্ৰা বা মাৰি দংশন কৰিলে। সৰ্পই দংশন কৰাৰ সময়ত বেউলা লাল-কাল দি শুই আছিল আৰু তেতিয়া তেওঁ বেউলাক মাতি মাতি অৱশেষত মৃত্যুক সাৱতি লৈছিল। পিচত বেউলাই মৃত স্বামীৰ গভীৰ প্ৰণ ভীক্ষাৰ বাবে দেৱতাৰ দৰবাৰ কঁপাই তুলিছিল। চান্দবুঢ়াই বাওঁ হাতেৰে ফুল এপাহ দেৱীক দিবলৈ ইচ্ছা প্ৰকাশ কৰাত দেৱীৰ পৰা বুঢ়াই মৃত পুত্ৰধন-সম্পতি হোনো সকলো ফিৰাই পাইছিল।

বেউলা লখিন্দাৰৰ এই কাহিনীটো আমি সৰু কালিত ওজা পালিৰ পদত খুব ভালদৰে শুনিব পাইছিলোঁ। ওজাপালিয়ে এনেদৰে ৰাইজৰ মাজত উপস্থাপন কৰে যে দিন ৰাতি সেই কাহিনী শুনিলেও হেপাহ নপলাই। মনসা পূজাৰ সময়ত বেউলা লখিন্দাৰৰ অমৰ কাহিনীটো ওজাপালিৰ পদত শুনিব পোৱা যায়। অৱশ্যে আজিকালিৰ ল'ৰা-ছোৱালী বিলাকে এনেবোৰ কাহিনী শুনি নোপোৱাৰ বাবেই চম্পক নগৰৰ অতীত বুৰঞ্জী হেৰাই যোৱাৰ পথত বুলি কব পাৰি।

সি যি কি নহওঁক, অতীত বুৰঞ্জীৰ পাতখিলা উদ্ধাৰ কৰিবলৈ আমাৰ বাৰু কিমান আগ্ৰহ? ব্যক্তিগত স্বাৰ্থ, আত্মীয় স্বজন প্ৰীতি, তোষামোদগিৰী, ব্যক্তিকেন্দ্ৰীক মনোবৃত্তিৰ লগত যদি আমি আটায়ে লাগি থাকো তেতিয়া জানো দেশখন প্ৰগতিৰ বাটত আগবাঢ়ি যাব পাৰিব? স্বাৰ্থত্যাগ আৰু আদৰ্শগতভাৱে কাম কৰিলেহে দেশ এখনৰ উন্নতি হোৱাটো স্বাভাৱিক। সেই বাবেই নতুন পুৰুষ চামৰ আগত অতীতৰ গৌৰৱোজ্জ্বল কাহিনী বিলাক আৰু তাৰ অন্তৰ্নিহিত তত্ত্বমূলক ব্যাখ্যা দাঙি ধৰি শিক্ষা দিয়াটো প্ৰয়োজন বুলি আমি ভাবো।

অতীতৰ চম্পক নগৰ বুলি কলে যি ভাব মনলৈ আহে, বৰ্ত্তমানৰ 'ছয়গাওঁ' বুলি কলে কিমান দূৰ সেই গৌৰৱৰ কাহিনী মনত অনুভূত হয় ক'ব নোৱাৰো। শোণিতপুৰ প্ৰাগজ্যোতিষপুৰ, কুণ্ডিল নগৰ, কুৰুক্ষেত্ৰ আদি বুলি

উচ্চাৰণ কৰোতে যি ভাৱ মনৰ মাজত উৎথেলিত হয়, বোধহয় তেজপুৰ, কামৰূপ, শদিয়া, দিল্লী বুলিলে সেই ভাৱৰ উদ্রেক নহয়, কিয়নো সেই শব্দৰ মাজত একোখন সোণালী ইতিহাস ৰচনা কৰা আছে।

সেইবোৰ আমাৰ বক্তব্য নহয় যদিও গুৱাহাটীৰ ওচৰতে থকা সেই চম্পক নগৰৰ অতীত গৌৰৱটো আমাৰ নতুন পুৰুষ চামৰ আগত দাঙি ধৰিব লাগে বুলি আমি ভাবো। কালৰ বুকুত ধ্বংস চান্দবুঢ়াৰ – 'মেৰঘৰ' বুকুত ধ্বংস প্ৰাপ্ত হ'ল সাঁচা কিন্তু সেই ধ্বংসপ্ৰাপ্ত শিলৰ টুকুৰা বোৰজানো পৰ্যটকৰ বাবে দেখনীয়াৰ কৰি দেশী-বিদেশী পৰ্য্যটকৰ চোৱাৰ বাবে আকৰ্ষণীয় ঠাই কৰি গঢ়ি তুলিব নোৱাৰি? ইয়াত এটা বেউলা লখিন্দাৰৰ অমৰ কাহিনীৰে সজ্জিত তৈল্য চিত্ৰৰ ( 'মিউজিয়াম' ) সংগ্ৰহালয় কৰিব লাগে বুলি আমি ভাবো। পৰ্যটকৰ দৰ্শন ঠাই হিছাপে গঢ়ি তুলিলে স্থানীয় ৰাইজ উপকৃত হোৱাৰ লগে লগে আমাৰ হেৰাই যোৱা ইতিহাসো উদ্ধাৰ হ'ব বুলি আমি ভাবো।

[ বিঃ দ্ৰঃ – **'আজিৰ অসম'** দৈনিক বাতৰিত প্ৰকাশ হয়। ম.ম.]

# ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদীপ্তেশ্বৰী মন্দিৰ

অসমৰ বিভিন্ন ঠাইত ভালেমান প্ৰচীন আৰু ঐতিহাসিক প্ৰসিদ্ধ মঠ-মন্দিৰ থকা দেখা যায়। কিন্তু অতি পৰিতাপৰ কথা এই যে সেই ঐতিহাসিক মঠ-মন্দিৰবোৰৰ কিছুমান ইতিমধ্যে তত্ত্বাৱধানৰ উপযুক্ত তদাৰক নোহোৱাত ভাঙি-ছিঙি গৈছে আৰু সেইবোৰৰ ইতিহাস সম্বলিত পাথোদ্ধাৰ কৰিবলৈ আমাৰ সমাজৰ লোকসকলৰ যেন আহৰিয়েই নাই। অকল সিমানেই নহয় তাৰ প্ৰতি যেন আমাৰ সমাজৰ আনুগতাৰো অভাৱ হৈছে। কিন্তু বিশ্বৰ দৰবাৰত অসমৰ প্ৰতিচপৰা মাটি আৰু শিলৰ টুকুৰাই অসমীয়া সভ্যতা আৰু সংস্কৃতিৰ গভীৰতাৰ লগতে ইয়াৰ বিশ্বজনীনতাৰো বাৰ্ত্তা বহন কৰি অহা দেখা যায়। অসমলৈ ভাৰতৰ বাহিৰৰ বহুতো পৰ্য্যটক আহি ইয়াৰ সভ্যতা-সংস্কৃতিৰ ঐতিহ্যৰ কথা উল্লেখ কৰি গৈছে।

সি যিকি নহওঁক আমাৰ সমাজৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰি অহা বহুতো ধৰ্মানুষ্ঠান মঠ-মন্দিৰ আজি আমাৰ অযত্ন আৰু অবহেলাৰ বাবেই ধ্বংস হোৱাৰ উপক্ৰম হোৱা দেখা গৈছে। নতুনকৈ কিবা এটা সৃষ্টি কৰা দূৰৰ কথা আনকি অতীতত আমাৰ পুৰ্ব্বজসকলে নিৰ্মাণ কৰি যোৱা সা-সম্পত্তি বিলাকো আজি আমাৰ সমাজে সংৰক্ষণ কৰিবলৈ চেষ্টা কৰা দেখা নেযায়। অসম চৰকাৰৰ তেনে বুৰঞ্জীপ্ৰসিদ্ধ মঠ-মন্দিৰ, সাচিপাতৰ পুথি-পাঁজি সংৰক্ষণ কৰিবলৈ বিভাগো খুলিলে, কিন্তু বিভাগীয় কৰ্তৃপক্ষৰ ওচৰ চাপিলে তেওঁলোকে মাথো কয়—পুঁজিৰ অভাৱ বুলি । যদি আজি আমাৰ এই ঐতিহাসিক মঠ-মন্দিৰবোৰ পুনৰুদ্ধাৰ আৰু সংৰক্ষণ কৰাৰ প্ৰয়াস নকৰো তেতিয়াহলে আমাৰ অতীত গৌৰৱৰ সেই ইতিহাসে আমাকে হাঁহিয়াতৰ পাত্ৰ কৰিব৷ আজি বিশ্বৰ দৰবাৰত ধৰ্মৰ এক শীতল প্ৰৱাহ বোৱা দেখা গৈছে। অৱশ্যে আন ধৰ্মৰ দৰে আমাৰ সনাতন ধৰ্ম তেনে প্ৰচাৰমুখী নহয় । প্ৰচাৰ বিমুখ হলেও অন্ততঃ আমি আমাৰ অতীত গৌৰৱৰ স্থলবোৰ সংৰক্ষণ কৰাতো আমাৰ নৈতিক কৰ্ত্তব্য বুলি বোধ কৰা নিতান্তই আৱশ্যক।

ভাৰতৰ ভিতৰত কামৰূপক (পৌৰাণিক নাম) স্বয়ং ভগৱানৰ গৃহ ভূমি বুলি বিশ্বাস কৰি অহা হৈছে । এই কামৰূপত অজস্ৰ দেৱাদিদেৱৰ থান আছে। বিশেষকৈ শিৱ-পাৰ্ব্বতীৰ ই আবাস ভূমি । সেয়েহে অসমত অগণিত শিৱ লিঙ্গ বিভিন্ন স্থানত মন্দিৰ স্বৰূপে স্থিতি লাভ কৰি আছে আৰু তাক আৱাহমান কালৰে পৰা সভক্তিৰে পূজা-অৰ্চনা - কৰি অহা দেখা যায়। এনে কিছু মঠ-মন্দিৰো আছে তাক হয়তো আজিও আমাৰ সমাজৰ লোকে ভালদৰে জানিব পৰা নাই। অৱশ্যে যিসকল ইতিহাস আৰু মঠ-মন্দিৰ প্ৰেমী ব্যক্তি আছে, সেইসকলে ডঃ মহেশ্বৰ নেওঁগ ডাঙৰীয়াই সম্পাদনা কৰা "পবিত্ৰ অসম" নামৰ পুথি খন পঢ়ি কিছু উপকৃত হ'ব পাৰিছে। এইখন পুথিত ডাঃ নেওঁগ ডাঙৰীয়াই বহুতৰে বহল ব্যাখ্যা ডাঙি ধৰিব পৰা নাই। তাৰে ভিতৰত ৰঙিয়াৰ ওচৰৰ শ্ৰীশ্ৰী অন্নপূৰ্ণা দেৱী দীপ্তেশ্বৰী দেৱালয়খনো অন্যতম।

কামৰূপ জিলাৰ ৰঙিয়া নগৰৰ পৰা প্ৰায় ৪ কিলোমিটাৰ পূৱ উত্তৰ দিশত পূৱ কছাৰীমহল মৌজাৰ অন্তৰ্গত মধুকুছি গাওঁৰ পুঠিমাৰী নদীৰ তীৰত শ্ৰীশ্ৰদীপ্তেশ্বৰী মন্দিৰটো অৱস্থিত। এই দীপ্তেশ্বৰী মন্দিৰটো অতি প্ৰাচীন আৰু কিংবদন্তিয়ে ঢুকী নোপোৱা দিনৰে পৰা ইয়াত ভগৱতীয়ে নিজে আবিৰ্ভূত হোৱা এখন শক্তিপীঠ বুলি লোকে বিশ্বাস সহকাৰে মানি আহিছে। অৱশ্যে এই মন্দিৰ স্থাপনৰ এক ঐতিহাসিক কাহিনী থকাও শুনা যায়। কাহিনীমতে পুঠিমাৰী নদীখনৰ পুৰণি নাম "লক্ষতৰা" বা "লখেতৰা" আছিল বুলি জনা যায় । এসময়ত এই খৰস্ৰোতা লখেতৰা নদীৰ কাষত দ্বীপকাসুৰ নামৰ এজন অতি প্ৰতাপী অসুৰৰ ৰাজ্য আছিল। দ্বীপকাসুৰ শিৱৰ একনিষ্ঠ ভক্ত আছিল। দ্বীপকাসুৰৰ অচলা ভক্তিত ভোলানাথ শিৱ সন্তোষিত হ'ল আৰু অসুৰ দ্বীপকাসুৰক 'বৰ

'দিবলৈ ইচ্ছা প্ৰকাশ কৰিলে তেতিয়া দ্বীপকাসুৰে 'অজয় অমৰ' হবলৈ ইচ্ছা কৰি বৰ খুজিলে আৰু শিৱই তথাস্তু বুলি কয়। কিন্তু তেতিয়া শিৱই বৰদি উঠি আকৌ দ্বীপকাসুৰক কলে যে— তেওঁ অন্নহাৰা হলেহে মৃত্যুবৰণ কৰিব। শিৱৰ বৰ লাভ কৰি দ্বীপকাসুৰৰ মনত অহংকাৰৰ ভাবে বাহ ললে। দিনে দিনে দ্বীপকাসুৰৰ অত্যাচাৰ আৰু দৰ্প বাঢ়ি আহিল। অসুৰৰ অত্যাচাৰত সকলো ভীতিগ্ৰস্ত হ'ল আৰু তেতিয়াই দেৱী মহামায়া অন্নপূৰ্ণাই দীপ্তেশ্বৰী ৰূপ ধাৰণ কৰি দ্বীপকাসুৰক সবংশে এই ঠাইত বধ কৰি ধ্বংস কৰে। তেতিয়াৰে পৰা এই মধুকুছি গাৱত মহামায়া দেৱী অন্নপূৰ্ণাই দীপ্তেশ্বৰী স্বৰূপে অৱস্থান কৰি আজিও তেওঁৰ মাহাত্ম্য প্ৰকাশ কৰি আছে।

আন এটা কিংবদন্তি মতে জনা যায় যে— দক্ষৰজাৰ যজ্ঞলৈ যেতিয়া সতীয়ে বিনা নিমন্ত্ৰণেৰে পতি শিৱৰ আজ্ঞা অৱমাননা কৰি গৈছিল তেতিয়া সেই যজ্ঞত শিৱক লৈ নানা ভৎসনা কৰা হৈছিল আৰু সতীয়ে নিৰৱে শুনি গৈছিল পতি নিন্দা। পিতৃ ৰজাৰ যজ্ঞত সতীয়ে স্বামী দেৱতা শিৱক তিৰস্কাৰ কৰা কথাবোৰ শুনি আত্মগ্লানি কৰিব নোৱাৰি পিতৃ যজ্ঞ স্থলতে সতীয়ে নিজ দেহ ত্যাগ কৰে। সতীৰ দেহ ত্যাগৰ বাতৰি পাই শিৱই কালমুৰ্ত্তি ধৰি দক্ষ ৰজাৰ যজ্ঞস্থলী পায় আৰু সতীৰ মৃতদেহ নিজ কান্ধত তুলি লৈ বিয়াকুল চিত্তে ভোলা ভাণ্ডাৰী অনাই বনাই ঘূৰি ফুৰিব ধৰিলে। ত্ৰিলোকত দেৱতাসকলে শিৱৰ কাণ্ড দেখি ভীত-ত্ৰস্তমান হৈ পৰিল আৰু বিষ্ণুৰ সুদৰ্শন চক্ৰৰ দ্বাৰা সতীৰ মৃতদেহ কাটি কাটি শেষ কৰিবলৈ দিলে নহলে নটৰাজৰ তাণ্ডৱ নৃত্যত সকলো শেষ হ'ব বুলি দেৱতাসকলে বিষ্ণুক অনুৰোধ জনালে। শিৱৰ সংহাৰ ৰূপ দেখি তেতিয়া তেওঁৰ কান্ধৰ পৰা সতীৰ বিভিন্ন অংগ বিষ্ণুৱে তেওঁৰ সুদৰ্শন চক্ৰৰ দ্বাৰা কাটি পেলালে। সতীৰ শৰীৰটো ৫২ টা মুখ্য ঠাইত পৰা হেতুকে ভাৰতত ৫২খন শক্তিপীঠৰ উৎপত্তি হয়। কামাখ্যাত যোনীপ্ৰদেশ পৰা বাবে আটাইবোৰ শক্তিপীঠতকৈ কামাখ্যা অধিক শক্তিশালী আৰু জাগ্ৰত তীৰ্থস্থান বুলি মানি অহা হৈছে৷ মধুকুছিৰ এই দীপ্তেশ্বৰী মন্দিৰটোত হেনো সতীৰ নাভীৰ পৰা ওপৰৰ অংশ পৰিছিল আৰু সেই দিনৰে পৰা এই দীপ্তেশ্বৰী মন্দিৰৰ উৎপত্তি হয়।

আনহাতে আন এটা মুখ বাগৰা কাহিনীৰ পৰা জনা যায় যে— এবাৰ হেনো কৈলাশত সদাশিৱ-পাৰ্ব্বতীৰ কাজিয়া লাগে আৰু শিৱক এৰি আহি পাৰ্ব্বতীয়ে নীলাচল পাহাৰৰ পৰা ২২ ক্ৰোশ পশ্চিম-উত্তৰত থকা পদ্ম সৰোৱৰত আশ্ৰয় লয়। শিৱই পাৰ্ব্বতীক বিচাৰি বিচাৰি ভোকাতুৰ শৰীৰেৰে এই পদ্মসৰোবৰত দেৱীক অন্নপূৰ্ণা ৰূপত দেখা পায় । ভোকাতুৰ শিৱই অন্নপূৰ্ণাক ভীক্ষা খোজোতে দেখে যে স্বয়ং শিৱই দেৱীৰ ওচৰত থিয় দি আছে। এই ঠাইখনতে হেনো শিৱ আৰু পাৰ্ব্বতীৰ কাজিয়াখন ভাঙি পুনৰ মিলন হৈছিল বুলিও এই অঞ্চলৰ লোকৰ মাজত এনে জনবিশ্বাস অটুট আছে।

ডঃ মহেশ্বৰ নেওঁগৰ "পবিত্ৰ অসম" গ্ৰন্থখনিৰ ২০৭ পৃষ্ঠাত দ্বীপ্তেশ্বৰী পীঠ বুলি লিখা আছে। তাত এইদৰে লিখা আছে যে— "নাহেশ্বৰীৰ" পূৱে দ্বীপ্তেশ্বৰী ভাগৱতী পীঠ। সেই পীঠত সদায় পানী পৰি থাকে৷ ই ৰঙিয়াৰ ওচৰৰ পূৱ কছাৰী মহল মৌজাত। ইয়াৰ পুৰণি মন্দিৰ নাই । লাখেজাৰ ১,২৩৬ বিঘা নিম্পিখেৰাজ ১,০৩০ বিঘা। ১৭৬৪ চনৰ এখন ফলি আছে।"

পুঠিমাৰী নদীয়ে দীপ্তেশ্বৰী মন্দিৰৰ পুৱ আৰু দক্ষিণ দিশ ঘেৰি ৰাখি নিতৌ চৰণ দুখানি বিধৌত কৰি আছে ৷

উল্লেখযোগ্য যে ভূ-পৃষ্ঠৰ পৰা ১৯ ফুট গভীৰৰ গহ্বৰত এচটা বহল প্ৰস্তৰৰ ওপৰত অন্নভাণ্ডাৰ ধাৰিণী দিব্যমনোহৰা আই শ্ৰীশ্ৰীঅন্নপূৰ্ণা দেৱীৰ মূৰ্ত্তি এটা আছে তাৰ কাষত লিঙ্গৰূপা মাৰ্কেণ্ডশ্বৰ মহাদেৱ" বিৰাজমান হৈ আছে।

নদীৰ পানী ভূগৰ্ভৰ তলৰ নলাৰে আহি আই ভাগৱতীৰ চৰণ সদায় পখালি থাকে। প্ৰতিদিনে পানী সিচিহে দেৱীৰ ওচৰত পুষ্পাৰ্ঘ্য অৰ্পণ কৰা যায় নহলে দেৱী দিতৌ পানীৰ তলত বুৰ গৈ থাকে।

কালি কৈৱল্যদায়িনী তন্ত্ৰৰ অন্নপূৰ্ণা ব্ৰত গ্ৰন্থৰ পৰা পোৱামতে পুৰণি কালত কাশীধামৰ অন্নহাৰা ধনঞ্জয় নামৰ ভিক্ষাৰী ব্ৰাহ্মণ এজনে মহামায়াৰ মন্ত্ৰ জপ কৰি সিদ্ধি লাভ কৰি পুৰণি কামৰূপৰ দ্বীপ্তেশ্বৰীৰ পৰা (নীলাচল পাহাৰৰ উত্তৰে ২২ ক্ৰোশ নিলগত থকা) জগত জননীৰ আদেশানুক্ৰমে কাশী ধামৰ বিশ্বনাথ মন্দিৰৰ বাওঁহাতে সোণৰ মন্দিৰ আৰু অন্নপূৰ্ণা দেৱীৰ সোণৰ মূৰ্ত্তি নিৰ্মাণ কৰি পূজা সেৱা কৰাৰ ফলত ধনবান হৈ মুক্তি লাভ কৰিছিল বুলি আখ্যান পোৱা যায়। এতিয়াও ভক্ত সকলৰ বিশ্বাস আছে যে—

দীপ্তেশ্বৰী মহামায়ে দ্বীপকাসুৰ ঘাটিনি।
তৱ স্পৰ্শন মত্ৰেন পুনৰ্জন্মো ন বিদ্যতে ॥”

দেৱী দীপ্তেশ্বৰীক স্পৰ্শ কৰিলে হেনো মোক্ষ প্ৰাপ্তি ঘটে। দেৱী দীপ্তেশ্বৰী সদা জাগ্ৰত দেৱী হিছাপে থকা বুলি বিশ্বাস কৰে আৰু সেয়ে—

“দ্বীপ্তেশ্বৰী নমস্তভ্যং
নমস্তে জগদম্বিকে
ত্বৎ পাদাম্বু যুগলে ।
দেহি ভক্তিং সুখিশ্চলাং
শংকৰ প্ৰাণৱল্লভে
জ্ঞান বৈৰাগ্য সিদ্ধ্যৰ্থং
ভিক্ষাং নে দেহি পাৰ্ব্বতি ॥”

প্ৰাৰ্থনা কৰি সুখ শান্তিৰ বাবে প্ৰণাম জনায়।

লখেতৰা নদী তীৰ শোভিতা মহামায়া দীপ্তেশ্বৰী পীঠখন কালাপাহাৰৰ নিৰ্মম অত্যাচাৰত পুৰণি মন্দিৰটো ধ্বংসপ্ৰাপ্তি ঘটে আৰু সেয়ে বহুকাল ধৰি দেৱী ভূগৰ্ভৰ তলিত অদৃশ্য হৈ থাকে৷ পিছত ৺মাধবানন্দ ভট্টাচাৰ্য দলৈ স্বপ্নাদেশ পাই ভূখণ্ড খান্দি ভগৱতীক উদ্ধাৰ কৰে। তাৰ পিছত এটি সৰুকৈ টিনপাতেৰে মন্দিৰ সাজি দেৱীলৈ বুলি প্ৰসাদ আগবঢ়ায়। ১৯৬২ চনত এই মন্দিৰৰ ভগ্নাৱশেষ দেখি অসম চৰকাৰে আৰু ইয়াৰ ভক্তসকলৰ দানেৰে বৰ্ত্তমানৰ মন্দিৰটো সাজি উলিওৱা হয়।

শ্ৰীশ্ৰীদীপ্তেশ্বৰী দেৱালয়ত নিতৌ পূজা-অৰ্চনা, ভোগ ভাত আদি চলি থকাৰ উপৰিও পূৰ্ব্বৰ নিয়মানুসৰি ইয়াত দুৰ্গোৎসৱ, লক্ষ্মীপূজা, শ্যামাপূজা, শিৱৰাত্ৰি পূজা পালন কৰা হয়। প্ৰতিবছৰে চ'তৰ মাহত বাসন্তী পুজা

কৰা হয় আৰু এই পূজাৰ মহাষ্টমীৰ দিনা শ্ৰীশ্ৰীঅন্নপূৰ্ণা দেৱীৰ পূজা-অৰ্চনা কৰা হয়। এই মন্দিৰত সদায় আমিষ ভোগ লগোৱা হয় আৰু পূজা-অৰ্চনাত ছাগলী আৰু মহিষাদিও বলি বিধানৰ ব্যৱস্থা আছে। এই মন্দিৰত বহুতো লোকে একান্ত মনে স-ভক্তিৰে মহামায়া দেৱীৰ ওচৰত আত্মসমৰ্পণ কৰি পূজা এভাগ আগবঢ়াই নিজৰ অভীষ্ট সিদ্ধি লাভ কৰাৰ বহুতো নজিৰ আছে।

১৫১৮ শকত মহাৰাজাধিৰাজ ৰুদ্ৰসিংহই ৰঙিয়াৰ মূৰাৰ সত্ৰাধিকাৰ সিদ্ধপুৰুষ ৺আচাৰ্য্য চূড়ামণি ভট্টাচাৰ্য্যক এখন তামৰ ফলি সহিতে দীপ্তেশ্বৰী মন্দিৰত পূজা চলাই থাকিবলৈ ২১০০ বিঘা মাটি দান দিছিল। তেওঁৰ বংশধৰসকলে এই মন্দিৰৰ ৰক্ষণাবেক্ষণ দি আছে বুলি বৰ্ত্তমান মন্দিৰৰ দলৈ শ্ৰীআগমানন্দ ভট্টাচাৰ্য্যই আমাক জানিবলৈ দিয়ে।

***

# জনবিশ্বাসত লাহেশ্বৰী থান

গুৱাহাটীৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ পশ্চিমত ব্ৰহ্মপুত্ৰৰ চাপৰি “লাহেশ্বৰী দিয়া” অৱস্থিত। বামুন্দী গাঁৱৰ দক্ষিণ-পূৱ কোণত থকা এই লাহেশ্বৰী দিয়াটোতে জনবিশ্বাসৰ এক কেন্দ্ৰভূমি-ধৰ্ম্মস্থান হ’ল “লাহেশ্বৰী থান”। এই থানখনৰ উৎপত্তি কেনেদৰে হৈছিল আৰু ইয়াৰ বয়স কিমান সঠিক ভাৱে কোৱা কঠিন লগতে থানখনৰ স্থাপনৰ চন-তাৰিখো কোৱা টান।

জনশ্ৰুতিৰ পম খেদি গলে এই থানখনৰ উৎপত্তি সম্পৰ্কে এই দৰে জানিব পোৱা যায় যে এসময়ত লাহেশ্বৰী দিয়াটো ব্ৰহ্মপুত্ৰ আৰু লাহেশ্বৰী সুঁতিৰ মাজত আছিল। এই চাপৰিটোৰ মাজত এজোপা বিয়াগোম আঁহত গছ আছিল। চাপৰিটোৰ সেউজীয়া ঘাঁহনী পথাৰত গৰখীয়া সকলে গৰু এৰাল দিয়ে আৰু দুপৰীয়া তেওঁবিলাকে সূৰ্য্যৰ প্ৰখৰ উত্তাপৰ পৰা হাত সাৰিবলৈ সেই গছজোপাৰ তলত জিৰণি লয়। আবেলি হলে আকৌ গৰখীয়াসকলে গৰু লৈ ঘৰা-ঘৰী যায়গৈ। এইদৰে গৰখীয়া বিলাকে আঁহত গছজোপাৰ তলত জিৰণি লৈ গৰু চাৰি খেল-ধেমালি কৰি ৰজা-মহাৰজাৰ ভাওনা কৰি আনন্দ উপভোগ কৰি থাকোতে এদিনাখন এজন গৰখীয়াৰ ক'লী গাই গৰু এজনী পালৰ পৰা নোহোৱা হ'ল। গৰখীয়া কেইজন বিপাঙত পৰিল আৰু বিষাদ মনেৰে সিদিনা ঘৰলৈ গ'ল। পিছদিনাও গাইজনী নোপোৱাত চিন্তা আৰু দুগুণে বৃদ্ধি পালে তেওঁ লোকৰ। পিছদিনা এজন গৰখীয়াই মন্তব্য এটা আগবঢ়ালে যে তেওঁলোকে নিয়া কোমল চাউল আৰু আঠিয়া কল গৰখীয়াৰ দেৱতা গোপাল কৃষ্ণলৈ বুলি আগবঢ়োৱা হওঁক, কিজানি প্ৰভুৱে তেওঁলোকৰ দুখ মোচন কৰেই। আটাই কেইজন গৰখীয়াই তেওঁৰ কথাটো সমৰ্থন কৰিলে আৰু গছজোপাৰ তলৰ অংশ কিছু পৰিষ্কাৰ কৰিব ধৰিলে ঠগি দিয়াৰ মানসে। চাফ কৰি থাকোতে গৰখীয়া কেইজনে অহত জোপাৰ তলত এটা শিল দেখা পালে আৰু ভগৱান তেওঁ বিলাকৰ সহায় বুলি ভাৱি ললে। ঠাইখিনি ভালদৰে চাফ্, চিকুণাই লৈ দুপৰীয়া খাব নিয়া কোমল চাউল আৰু আঠিয়া কলৰ ভোগ বনাই সভক্তিৰে গোপাল কৃষ্ণলৈ আগবঢ়ালে। 'গোপাল' তেওঁলোকৰ ভক্তিত সন্তুষ্ট হ'ল আৰু দেখে যে আবেলি গৰু চপোৱাৰ সময়ত গৰুজাকৰ মাজত হেৰোৱা ক’লীগাইজনী আহি আছে। গৰখীয়া কেইজনৰ আনন্দৰ সীমা নোহোৱা হ’ল। তেতিয়াৰে পৰা সেই গছ জোপাৰ তলত ঠগি দি অহা হৈছে আৰু সেই আঁহত গছজোপাই লাহেশ্বৰী থান হিচাপে খ্যাত হৈ পৰে।

এই লাহেশ্বৰী থানখন কিমান পুৰণি আজিও ঠাৱৰ কৰিব পৰা নাই। যদিও ডঃ মহেশ্বৰ নেওগ সম্পাদিত 'পবিত্ৰ অসম' নামৰ পুথিখনৰ ১৫৫ পৃষ্ঠাত থানখন সম্পৰ্কে এইদৰে লিখা আছে—

“ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বামুন্দীৰ ওচৰত নৈৰ কাষতে লাহেশ্বৰী থান। এজোপা ভাঙৰ গছৰ তলত থকা ডাঙৰ শিল এটিয়েই লাহেশ্বৰীৰ আসন। ইয়াত আন কোনো মূৰ্ত্তি আদি নাই। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে শুৱালকুছিৰ ওচৰত ধাৰেশ্বৰীৰো থান আছে। ধাৰেশ্বৰী আৰু লাহেশ্বৰী দুয়ো বাই-ভনী। ধাৰেশ্বৰী শান্ত সৌম্য, লাহেশ্বৰী ৰৌদ্ৰ আৰু উগ্ৰ। প্ৰায় এশ বছৰ আগতে কুকুৰীয়া নিবাসী ৰূপ ৰাম কলিতাই লাহেশ্বৰীৰ ওচৰৰ পথাৰত পাম পাতিছিল তাতেই তেওঁক লাহেশ্বৰীয়ে পূজা পাতাল দিবলৈ ইঙ্গিত দিয়ে। সেইমতে ৰূপৰামে কুকুৰীয়াত লাহেশ্বৰী থান পাতি পূজা পাতাল কৰে। শেষত দেৱীয়ে ৰূপৰামক ভালকৈ লম্ভাত তেওঁ জঁকি হৈ বহুদিন দেওঁধা নৃত্য কৰি থাকে। আজিলৈকে তেওঁৰ বংশৰে লোকে জাঁকী হৈ মনসা পূজাৰ সময়ত এই থানত দেওঁধা নৃত্য কৰি আহিছে। কুকুৰীয়া নদীয়ে খহোৱাত ইয়াৰ বৰ্ত্তমান থান হুদুমপুৰ গোসাঁই ঘৰত পতা হৈছে। লাহেশ্বৰীয়ে জাঁকীৰ শৰীৰত লম্ভিলে ৰক্তবস্ত্ৰ পৰিধান কৰি সেন্দুৰৰ তিলক লৈ ৰক্ত পুষ্পৰে পূজা কৰে। আৰু শক্তি ৰূপ ধাৰণ কৰিলে বলিগ্ৰহণ কৰে।

আকৌ ধাৰেশ্বীৰয়ে লন্তিলে শুভ্ৰ বস্ত্ৰ পৰিধান কৰি চন্দনৰ ফোঁট লৈ শুভ্ৰ পুষ্পেৰে পূজা কৰে। লাহেশ্বৰীৰ বিষয়ে প্ৰবাদ এটা আছে যিসকল ছোৱালীয়ে বয়ন শিল্পৰ বিষয়ে নেজানে তেওঁলোকে তালৈ গৈ তাঁত বাতিকাঢ়ি পূজা সেৱা কৰিলে হেনো ভাল শিপিনী হয়।”

লাহেশ্বৰীৰ থানখনত কোনো মূৰ্ত্তি নাই মাথোন কিছুমান শিলৰ মাজত আঁহত গছজোপাহে থিয় হৈ আছে। আমি নিজ চকুৰে দেখা পাইছো যে ব্ৰহ্মপুত্ৰৰ পানী আৰু লাহেশ্বৰীৰ সুঁতিয়ে লাহেশ্বৰী দিয়াটো খহাই পেলালেও নদীয়ে কিন্তু লাহেশ্বৰী থান খনক নিচিহ্ন কৰিব নোৱাৰিলে।

জনবিশ্বাস মতে এই থানখনত মনৰ একান্ত ভক্তিৰে ঠগি এভাগ আগবঢ়ালে অভীষ্ট সিদ্ধিলাভ কৰিব পাৰে। তিৰোতাসকলে আই লাহেশ্বৰীৰ শ্ৰীচৰণত আত্মসমৰ্প সেৱা অৰ্চনা কৰিলে পুত্ৰ-কণ্যা লাভ কৰাৰ প্ৰমাণ এই অঞ্চলত পোৱা যায়।

বহুতে আকৌ লাহেশ্বৰীক দুৰ্গা হিচাপেও বন্দনা কৰা দেখা যায়। বিশেষকৈ মাঘ মাহত এই থানখনলৈ যাত্ৰীৰ সমাগম বেছি হোৱা দেখা যায়। এই থানখনত কিছুমান ভক্ত-ভক্তাই 'পাৰ' চৰাই এৰি দিয়ে। লাহেশ্বৰী দেৱীৰ নামত পাৰ চৰাইয়ো উচৰ্গা কৰি নিজ আকাংখীত ফল পোৱাৰ কামনা কৰা দেখা যায়।

জনমানসত লাহেশ্বৰীৰ থানৰ আঁহত গছজোপা দেখাত সাধাৰণ এজোপা আহত গছ হলেও ইয়াতেই নিহিত হৈ আছে হেজাৰ হেজাৰ লোকৰ গভীৰ আস্থা, অটল ভগৱত প্ৰীতি আৰু অগাধ বিশ্বাস যাক চিন্তা কৰি হয়তো বহু লোকে নিজৰ মনটোক ভগৱানৰ চিন্তাৰে প্ৰবোধ দি শান্তি লভি আছে কিবা এটা অজান আশাত।

***

## : লিখকৰ প্ৰকাশিত অন্য পুথিসমূহ :

১। অঞ্জলি ( কবিতা সংকলন )

২। তাইবো মন যায় (গল্প সংকলন)

৩। পাঁচ পইচাৰ পৃথিৱী (গল্প সংকলন)
(প্ৰকাশৰ পথত)